# স্নাতকোত্তৰ পাঠ্যক্ৰম

## বিষয় - অসমীয়া

## কৰ্তৃত্বশীল শিক্ষানুষ্ঠানৰ নাম - ঢকুৱাখনা মহাবিদ্যালয় (স্বায়ত্তশাসিত)

## প্ৰস্তুতকৰ্তা – অসমীয়া বিভাগ

**প্ৰস্তাৱনা -**

ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক-মানসিক বিকাশৰ প্ৰতি লক্ষ্য ৰাখি প্ৰস্তুত কৰি উলিওৱা ঢকুৱাখনা মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অসমীয়া বিষয়ৰ দুই বছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰমত অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক ক্ষেত্ৰৰ লগত সম্পৰ্কিত বিভিন্ন দিশৰ তাত্ত্বিক আৰু প্ৰায়োগিক বিচাৰ-বিশ্লেষণত প্ৰাথমিক গুৰুত্ব দিয়া হৈছে। লগতে উত্তৰ-পূব ভাৰতৰ ভাষা-সাহিত্যৰ পৰিচয়, অসমৰ বিভিন্ন নৃগোষ্ঠীয় ভাষিক-সংস্কৃতিৰ পৰিচয়, ভাৰতীয় সাহিত্য আৰু বিশ্ব সাহিত্যৰ পৰিচয় বিষয়ক পাঠ্যও অন্তৰ্ভুক্ত কৰা হৈছে। এই পাঠ্যক্ৰমত তুলনামূলক সাহিত্য, সাহিত্যৰ সমাজতত্ত্ব আদিৰ দৰে বিভিন্ন আন্তৰ্বিদ্যাৱৰ্তী বিষয় সামৰি লোৱা হৈছে। ভাষাৰ যোগাযোগমূলক দক্ষতাৰ বিকাশ, সৃজনশীলতাৰ বিকাশ, ব্যক্তিত্ব বিকাশ আদিৰ বাবে প্ৰয়োজনীয় বিভিন্ন দিশ সম্বলিত বিষয়েও পাঠ্যসূচীত স্থান পাইছে। পাঠ্যক্ৰমত আধুনিক প্ৰযুক্তিৰ লগত অসমীয়া ভাষা-সাহিত্যৰ সম্পৰ্ক স্থাপন, অনুবাদৰ পৰিচয় আৰু প্ৰয়োগ আদি বিষয় সন্নিবিষ্ট কৰি বৃত্তিমুখী দক্ষতা বিকাশৰ পথ সুগম কৰা হৈছে। গৱেষণাকৰ্মৰ সাধাৰণ ধাৰণাসহ প্ৰায়োগিক ক্ষেত্ৰত গৱেষণাকৰ্ম সম্পাদন সম্পৰ্কীয় পাঠ্যক্ৰমৰ অন্তৰ্ভুক্তিৰে ছাত্ৰ-ছাত্ৰীক গৱেষণাৰ প্ৰতি আগ্ৰহী কৰি তোলাৰ প্ৰচেষ্টা কৰা হৈছে।

**পৰিচয় –**

ভাৰতৰ উত্তৰ-পূব প্ৰান্তত অৱস্থিত অসম নামৰ ৰাজ্যখন বিভিন্ন নৃ প্ৰজাতীয় জাতি-জনজাতিৰ বাসস্থান। সংবিধানৰ অষ্টম অনুসূচীৰ অন্তৰ্ভুক্ত অসমীয়া ভাষা এই ৰাজ্যৰ ৰাজ্যভাষা। সুদীৰ্ঘ সাহিত্যিক পৰিক্ৰমাৰে সমৃদ্ধ অসমীয়া ভাষা আধুনিক ভাৰতীয় ভাষাসমূহৰ ভিতৰত এটা উল্লেখযোগ্য ভাষা। উদ্ভৱকালৰে পৰা বিভিন্ন ভাষিক বৈশিষ্ট্যৰে বিভিন্ন স্তৰ অতিক্ৰম কৰি এই ভাষা বৰ্তমান স্তৰত উপনীত হৈছেহি। অসমীয়া ভাষাৰ আঞ্চলিক আৰু নৃগোষ্ঠীয় বিভিন্ন ৰূপভেদ পোৱা যায়। খৃষ্টীয় চতুৰ্দশ শতিকাৰ পৰা অসমীয়া লিখিত সাহিত্যৰ ধাৰাবাহিক ইতিহাস পোৱা যায়। তেতিয়াৰে পৰা নানা স্তৰ-উপস্তৰৰ মাজেৰে অসমীয়া সাহিত্যই এক সুদীৰ্ঘ সাহিত্যিক পৰিক্ৰমা অতিক্ৰম কৰিছে। অসমীয়া ভাষা আৰু লিপিৰ উদ্ভৱ আৰু বিকাশ, অসমীয়া ভাষাৰ ঔপভাষিক ভিন্নতা; অসমীয়া সাহিত্যৰ ইতিহাস আৰু ইতিহাসৰ বিভিন্ন স্তৰ, অসমীয়া সাহিত্যৰ বিভিন্ন বিধা আদি ভাষা-সাহিত্য অধ্যয়নৰ মূল দিশবোৰৰ লগত ছাত্ৰ-ছাত্ৰী পৰিচিত হ'ব পৰাকৈ অসমীয়া বিষয়ৰ দুই বছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰমৰ কাকতসমূহ যুগুত কৰা হৈছে। এই পাঠ্যক্ৰমত অসমীয়া ভাষা-সাহিত্যৰ লগতে অসমৰ সাংস্কৃতিক বৈচিত্ৰ্যৰো পৰিচয় দিবলৈ যত্ন কৰা হৈছে। অসমৰ লগতে উত্তৰ-পূব ভাৰতৰ ভাষিক, সাহিত্যিক আৰু সাংস্কৃতিক বিভিন্ন বিষয়ৰ উপৰি ভাৰতীয় আৰু বিশ্বসাহিত্যৰ সৈতেও ছাত্ৰ-ছাত্ৰীক পৰিচয় কৰোৱাৰ প্ৰয়াসো কৰা হৈছে। প্ৰকৃতিসাহিত্য, বিজ্ঞানসাহিত্য, জীৱনমুখী সাহিত্যৰ দৰে অভিনৱ বিষয়ো এই পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰাৰ প্ৰয়াস কৰা হৈছে।

**Programme Educational Objectives (PEO's)**

| PEO Number | Objective Description |
|---|---|
| PEO1 | অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰতি ছাত্ৰ-ছাত্ৰীসকলৰ সজাগতা আৰু সচেতনতা বৃদ্ধি কৰা। |
| PEO2 | অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসৰ প্ৰণালীবদ্ধ অধ্যয়নৰ জৰিয়তে ভাষা-সাহিত্যৰ ঐতিহ্য আৰু বিকাশ সম্পৰ্কীয় জ্ঞান প্ৰদান কৰা। লগতে অসমীয়া ভাষা-সাহিত্যৰ সমৃদ্ধিৰ হকে কাম কৰিবলৈ ছাত্ৰ-ছাত্ৰীক দায়িত্বশীল কৰি তোলা। |
| PEO3 | অসমত প্ৰচলিত অন্যান্য ভাষাৰ অধ্যয়নৰ জৰিয়তে অসমৰ ভাষিক বৈচিত্ৰ্য আৰু ভাষিক আদান-প্ৰদানৰ জ্ঞান দিয়া। |
| PEO4 | বিভিন্ন প্ৰকাৰৰ সাহিত্য আৰু সিবিলাকৰ সমালোচনা সম্পৰ্কীয় প্ৰাথমিক ধাৰণা প্ৰদান কৰা। |
| PEO5 | ভাৰতীয় আৰু বিশ্বসাহিত্যৰ অধ্যয়নৰ জৰিয়তে ভাৰতীয় সাহিত্যৰ বিচিত্ৰতা আৰু অখণ্ডতাৰ ভাৱনা তথা সাহিত্যৰ সাৰ্বজনীন মানৱীয় আবেদন ছাত্ৰ-ছাত্ৰীৰ মনত জাগ্ৰত কৰা। |
| PEO6 | আধুনিক তথ্য-প্ৰযুক্তিৰ লগত অসমীয়া ভাষাক সংযুক্ত কৰি অসমীয়া ভাষাৰ প্ৰযুক্তিগত বিকাশ সম্পৰ্কীয় শিক্ষা প্ৰদান। |
| PEO7 | কৌশল আৰু দক্ষতা বিকাশৰ অৰ্থে ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান। |
| PEO8 | সাহিত্যৰ নতুন নতুন দিশ বা দৃষ্টিকোণসমূহৰ সৈতে ছাত্ৰ-ছাত্ৰীক পৰিচিত কৰাই দিয়া। |

**Programme Specific Outcomes (PSOs)**

| PSO Number | Outcome Description |
|---|---|
| PSO1 | অসমীয়া সাহিত্যৰ বিভিন্ন বিধা, যুগ আৰু ধাৰা চিনাক্ত কৰি আলোচনা-গৱেষণা কৰাৰ সামৰ্থ্য বৃদ্ধি। |
| PSO2 | বিভিন্ন সাহিত্য আৰু সমালোচনাত্মক ধাৰণা অৰ্জন কৰি বিভিন্ন তত্ত্বৰ আধাৰত পাঠ বিশ্লেষণ আৰু পাঠ সমালোচনাৰ অৰ্হতা। |
| PSO3 | অসমৰ ভাষিক-সাংস্কৃতিক-সাহিত্যিক পৰম্পৰাৰ জ্ঞান লাভ। |
| PSO4 | ভাৰতীয় জ্ঞান-পৰম্পৰা আৰু ঐতিহ্যৰ লগত পৰিচয়। |
| PSO5 | সৃষ্টিশীল লেখন কৌশলৰ বিকাশ। |
| PSO6 | অসমীয়া ভাষাত শৈক্ষিক লিখন তথা আনুষ্ঠানিক যোগাযোগৰ কৌশল আয়ত্তকৰণ। |
| PSO7 | সমালোচনাত্মক আৰু যুক্তিসংগত চিন্তাৰ সামৰ্থ্য। |
| PSO8 | অসমীয়া ভাষা-সাহিত্যৰ অধ্যয়ন-প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰত ডিজিটেল সম্পদৰ উপযোগিতা সম্পৰ্কে সজাগতা আৰু সচেতনতা সৃষ্টি। |
| PSO9 | সাহিত্যৰ মাধ্যমেৰে সামাজিক মূল্যবোধ, জীৱনবোধ আহৰণ। |
| PSO10 | নে'ট্, শ্লেট্ তথা অন্যান্য প্ৰাসংগিক প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে প্ৰয়োজনীয় জ্ঞান লাভ কৰা। |

**Programme Outcomes (POs)**

| PO Number | Outcome Description |
|---|---|
| PO1 | শিক্ষাৰ্থীসকলে অসমীয়া ভাষা-সাহিত্যৰ ইতিহাসৰ প্ৰণালীবদ্ধ অধ্যয়নৰ জৰিয়তে ভাষা-সাহিত্যৰ বিভিন্ন বিধা, যুগ আৰু ধাৰা চিনাক্ত কৰাৰ সামৰ্থ আহৰণ কৰাৰ লগতে বিভিন্ন ভাষা-সাহিত্যৰ বিশ্লেষণাত্মক ধাৰণাৰ জৰিয়তে বিভিন্ন তত্ত্ব আৰু প্ৰেক্ষাপটৰ আধাৰত ভাষা-সাহিত্যৰ বিচাৰ-বিশ্লেষণ আৰু গৱেষণাৰ যোগ্যতা আহৰণ কৰিব। |
| PO2 | শিক্ষাৰ্থীসকলে অসমীয়া ভাষাত কথন, লিখনৰ দক্ষতা বিকাশ তথা অভিব্যক্তি ক্ষমতাৰ বিকাশ সাধন কৰিব আৰু অসমীয়া ভাষাৰ কথিত, লিখিত প্ৰয়োগ তথা প্ৰযুক্তিগত প্ৰয়োগ সম্পৰ্কীয় সমস্যা সমাধানৰ প্ৰয়াস কৰিব। |
| PO3 | ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰণালীবদ্ধ অধ্যয়নৰ জৰিয়তে অসমৰ ভাষিক-সাহিত্যিক-সাংস্কৃতিক বৈচিত্ৰ্য আৰু ভাষিক-সাহিত্যিক-সাংস্কৃতিক দিশত বিবিধ আদান-প্ৰদানৰ জ্ঞান প্ৰদান কৰা আৰু ভাষা-সাহিত্য-সংস্কৃতি অধ্যয়ন সম্পৰ্কীয় তুলনামূলক দৃষ্টিভংগীৰ বিকাশ সাধন কৰিব। |
| PO4 | শিক্ষাৰ্থীসকলে বিভিন্ন প্ৰকাৰৰ সাহিত্য আৰু সিবিলাকৰ সমালোচনা সম্পৰ্কীয় প্ৰাথমিক ধাৰণা লাভ কৰি জাতিটোৰ শৈক্ষিক প্ৰয়োজনীয়তাসমূহ পূৰণৰ বাবে উন্নত অধ্যয়ন আৰু গৱেষণামূলক কাৰ্যকলাপত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব। |
| PO5 | শিক্ষাৰ্থীসকলে ভাৰতীয় সাহিত্যৰ অধ্যয়নৰ জৰিয়তে ভাৰতীয় সাহিত্যৰ বিচিত্ৰতা আৰু অখণ্ডতাৰ জ্ঞান লাভ কৰিব। |
| PO6 | শিক্ষাৰ্থীসকলে বিশ্ব সাহিত্যৰ অধ্যয়নৰ জৰিয়তে সাহিত্যৰ সাৰ্বজনীনতা আৰু অখণ্ডতাৰ জ্ঞান লাভ কৰিব। |
| PO7 | অসমৰ বহুসাংস্কৃতিক ক্ষেত্ৰৰ জ্ঞান লাভ কৰাৰ উপৰিও ভাৰতীয় সাহিত্যৰ মাধ্যমেৰে ভাৰতৰ বিভিন্ন আঞ্চলিক সংস্কৃতিৰ ধাৰণা লাভ কৰিব। |
| PO8 | শিক্ষাৰ্থীসকলে প্ৰকৃতিসাহিত্য, বিজ্ঞানসাহিত্য, জীৱনমুখী সাহিত্য ইত্যাদি অধ্যয়নৰ দ্বাৰা অগতানুগতিক অধ্যয়ন ক্ষেত্ৰৰ জ্ঞান লাভ কৰিব। |
| PO9 | শিক্ষাৰ্থীসকলে পেছাদাৰী সততা, নৈতিক আচৰণ আৰু নিজৰ শৈক্ষিক ক্ষেত্ৰত বৃত্তিমুখী ব্যৱহাৰিক প্ৰশিক্ষণ লাভৰ জৰিয়তে নতুন দক্ষতা, কৌশল আয়ত্ব কৰিব। |
| PO10 | শিক্ষাৰ্থীসকলে ভাষা-সাহিত্যৰ লগত সম্পৰ্কিত বিভিন্ন বৃত্তিগত অৰ্হতা (যেনে-বৃত্তিগত লেখক-সমালোচক, সম্পাদক, অনুবাদক আদি) অৰ্জন কৰিব। |

| প্ৰথম ষাণ্মাসিক | | |
|---|---|---|
| CORE | | |
| PAPER CODE | PAPER NAME | CREDIT |
| C101 | অসমীয়া সাহিত্যৰ পৃষ্ঠভূমিৰ পৰিচয় | 4 |
| C102 | অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ | 4 |
| C103 | অসমীয়া লোকসাহিত্যৰ অধ্যয়ন | 4 |
| DISCIPLINE SPECIFIC ELECTIVE (DSE) : ANY ONE | | |
| PAPER CODE | PAPER NAME | CREDIT |
| DSE101 | অসমীয়া ভাষাৰ ৰূপভেদ | 4 |
| DSE102 | অসমীয়া কাহিনী সাহিত্য (নিৰ্বাচিত পাঠৰ অধ্যয়ন) | 4 |
| DSE103 | নিৰ্বাচিত সাহিত্যিকৰ সাহিত্য অধ্যয়ন | 4 |
| DSE104A | ভাষাবৈজ্ঞানিক অধ্যয়ন | 4 |
| DSE104B | সংস্কৃত সাহিত্যৰ পৰিচয় | 4 |
| ABILITY ENHANCEMENT COURSE (AEC) | | |
| PAPER CODE | PAPER NAME | CREDIT |
| AEC101 | অসমীয়া বিষয়ৰ আধাৰত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি | 2 |
| মুঠ ক্ৰেডিট | | 18 |

| দ্বিতীয় ষাণ্মাসিক | | |
|---|---|---|
| CORE | | |
| PAPER CODE | PAPER NAME | CREDIT |
| C201 | কবিতাৰ পৰিচয় আৰু বিধা-বৈচিত্ৰ্য | 4 |
| C202 | অসমৰ সংস্কৃতি অধ্যয়ন | 4 |
| C203 | ভাষাবিজ্ঞানৰ পৰিচয় | 4 |
| DISCIPLINE SPECIFIC ELECTIVE (DSE) : ANY ONE | | |
| PAPER CODE | PAPER NAME | CREDIT |
| DSE201 | অসমীয়া কবিতাৰ অধ্যয়ন | 4 |
| DSE202 | সাহিত্যৰ সমাজতত্ত্ব | 4 |
| DSE203 | অসমীয়া ভাষাৰ গঠন বিচাৰ | 4 |
| DSE204A | প্ৰকল্প | 4 |
| DSE204B | গৱেষণাৰ পদ্ধতি পৰিচয় | 4 |
| GENERIC ELECTIVE COURSE (GEC) : ANY ONE | | |
| PAPER CODE | PAPER NAME | CREDIT |
| GEC201 | উত্তৰ-পূৰ্বাঞ্চলৰ সাহিত্য | 4 |
| মুঠ ক্ৰেডিট | | 20 |

স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক

পাঠ্যক্ৰম নং - C101

কাকতৰ নাম – অসমীয়া সাহিত্যৰ পৃষ্ঠভূমিৰ পৰিচয়

NATURE OF COURSE: CORE

মুঠ ক্ৰেডিট - ৪

নম্বৰ বিভাজন – ৬০ (লিখিত পৰীক্ষা)+৪০ (আভ্যন্তৰীণ মূল্যায়ন)

প্ৰস্তাৱনা :

সাহিত্য একো-একোটা জাতিৰ সামগ্ৰিক জীৱনচৰ্যাৰ আনুভূতিক ভাষিক প্ৰতিবিম্বন। সাহিত্যৰ বুনিয়াদতে ভৰ দি পৃথিৱীৰ সভ্য জাতিবোৰ ক্ৰমবিৱৰ্তনৰ দিশেৰে আগুৱাই আহিছে। অসমীয়া সাহিত্যইও অসমীয়া জাতীয় জীৱনৰ চিন্তা, দৰ্শন, আদৰ্শ, মনোভংগী আদিৰ দৃষ্টান্ত বহন কৰে। মৌখিক পৰম্পৰাতে আৰম্ভ হোৱা অসমীয়া সাহিত্যৰ এক দীঘলীয়া ইতিহাস আছে। সাহিত্যৰ এই বৰ্ণাঢ্য ইতিহাসক আলোচক-পণ্ডিতসকলে বিভিন্ন যুগ বা কালত প্ৰতিষ্ঠা কৰিছে। উল্লেখ্য যে সাহিত্যৰ এনে ভিন্ন যুগ বা কালৰ অন্তৰালত একো-একোটা সামাজিক-সাংস্কৃতিক পৃষ্ঠভূমি লুকাই থাকে। বিভিন্ন সামাজিক-সাংস্কৃতিক কাৰকৰ দ্বাৰা অসমীয়া সাহিত্যৰ যুগবোৰ সমৃদ্ধ হৈছে। কোনো সাহিত্যৰ স্বৰূপ উপলব্ধি কৰিবলৈ সেই সাহিত্যৰ পৃষ্ঠভূমি অধ্যয়ন কৰাটো জৰুৰী হৈ পৰে। সাহিত্যৰ শৈলী, বিষয়-বৈচিত্ৰ্য আৰু উপস্থাপন ৰীতি গঢ় লোৱাত পৃষ্ঠভূমিয়ে ইন্ধন যোগায়। এই কাকতৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া সাহিত্যৰ বিভিন্ন যুগৰ পৃষ্ঠভূমি আৰু বৈশিষ্ট্য উপলব্ধি কৰাৰ সুযোগ প্ৰদান কৰা হৈছে।

উদ্দেশ্য :

- অসমীয়া সাহিত্যৰ যুগসমূহৰ সামগ্ৰিক পটভূমিৰ এক সাধাৰণ ধাৰণা প্ৰদান কৰা।
- প্ৰত্ন অসমীয়া যুগৰ পৃষ্ঠভূমি আৰু সাহিত্যিক বিশেষত্বসমূহ অধ্যয়নৰ প্ৰয়াস কৰা।
- মধ্যযুগীয় অসমীয়া সাহিত্যৰ অন্তৰালত থকা সামাজিক-সাংস্কৃতিক আধাৰভূমি আৰু বৈশিষ্ট্য সম্পৰ্কে আলোকপাত কৰা।
- অসমীয়া সাহিত্যৰ আধুনিক যুগটোক প্ৰভাৱিত কৰা আধাৰভূমি, কাৰক আৰু এই সময়ৰ সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য সন্দৰ্ভত দৃষ্টিপাত আগবঢ়োৱা।

CO-I অসমীয়া সাহিত্যৰ পটভূমিৰ সামগ্ৰিক ধাৰণা এটা লাভ কৰিব পাৰিব।

- ILO1 অসমীয়া সাহিত্যৰ প্ৰত্ন, মধ্য আৰু আধুনিক যুগৰ পৃষ্ঠভূমিৰ সাধাৰণ আভাস পাব পাৰিব।

CO-II অসমীয়া সাহিত্যৰ প্ৰত্ন যুগটোক নেতৃত্ব দিয়া আধাৰপট আৰু এই যুগৰ সাধাৰণ লক্ষণসমূহ জানিব পাৰিব।

- ILO1 চৰ্যাপদৰ সাধাৰণ ধাৰণা, বৈশিষ্ট্য আৰু এই চৰ্যাপদ ৰচনাৰ কাৰকসমূহ উদঘাটন কৰিব পাৰিব।
- ILO2 কেনে প্ৰেক্ষাপটত শ্ৰীকৃষ্ণকীৰ্তন আৰু শূন্য পুৰাণ ৰচনা হ'ল, উভয় সাহিত্যৰ পৰিচয় আৰু লক্ষণসমূহ জানিব পাৰিব।

CO-III অসমীয়া সাহিত্যৰ মধ্যযুগটোৰ বিভিন্ন সাহিত্য আৰু পৃষ্ঠভূমিৰ লগতে সাধাৰণ বৈশিষ্ট্যৰাজি উদঘাটন কৰিব পাৰিব।

- ILO1 প্ৰাক্-শংকৰী যুগৰ সাহিত্য আৰু ৰাজকীয় পৃষ্ঠপোষকতা, সাহিত্যিক লক্ষণ সম্পৰ্কে জানিব পাৰিব।
- ILO2 শংকৰদেৱে নেতৃত্ব দিয়া অসমীয়া সাহিত্যৰ যুগটোৰ পটভূমি আৰু লক্ষণ উপলব্ধি কৰিব পাৰিব।
- ILO3 শংকৰদেৱৰ পৰৱৰ্তীকালীন চৰিত, বুৰঞ্জী, ব্যৱহাৰিক সাহিত্য সৃষ্টিৰ সময়খিনিৰ অন্তৰালত থকা পটভূমি আৰু বৈশিষ্ট্য অধ্যয়ন কৰিব পাৰিব।

CO-IV আধুনিক অসমীয়া সাহিত্যৰ পৰিৱৰ্তিত পটভূমি আৰু সাহিত্যিক বিশেষত্বসমূহৰ সম্যক জ্ঞান লাভ কৰিব।

- ILO1 আধুনিক অসমীয়া ভাষা-সাহিত্যৰ প্ৰতিষ্ঠাত অৰুণোদই আলোচনীৰ ভূমিকা, এই যুগৰ মিছনেৰী পটভূমি আৰু লক্ষণৰ সাধাৰণ ধাৰণা লাভ কৰিব।
- ILO2 জোনাকী আলোচনীক আধাৰ কৰি সৃষ্ট অসমীয়া সাহিত্যৰ 'জোনাকী যুগ'ৰ পৃষ্ঠতল আৰু বৈশিষ্ট্যৰ সাধাৰণ ধাৰণা পাব পাৰিব।
- ILO3 ৰামধেনু আলোচনীকেন্দ্ৰিক যুগটোৰ বিশ্বযুদ্ধই সৃষ্টি কৰা জটিল পটভূমি আৰু সাহিত্যিক লক্ষণৰ উমান পাব।
- ILO4 সাম্প্ৰতিক কালৰ অসমীয়া সাহিত্য সৃষ্টিৰ আধাৰত কি ধৰণৰ সামাজিক-সাংস্কৃতিক কাৰক আছে আৰু এই সময়ৰ সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য কেনেধৰণৰ, সেই দিশৰ জ্ঞান লাভ কৰিব।

| গোট | বিষয় | পাঠদান | অনুশিক্ষণ | মুঠ | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| ১ | অসমীয়া সাহিত্যৰ পটভূমিৰ সাধাৰণ পৰিচয় (প্ৰত্ন অসমীয়া, মধ্যযুগ, আধুনিক যুগ) | ১০ | ০৩ | ১৩ | ১০ |

| | | | | | |
|---|---|---|---|---|---|
| ২ | প্ৰত্ন অসমীয়া সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্য (চৰ্যাপদ, কৃষ্ণকীৰ্তন, শূণ্য পূৰাণ) | ১২ | ০৩ | ১৫ | ১৫ |
| ৩ | মধ্যযুগীয় অসমীয়া সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্য (প্ৰাক্-শংকৰী যুগ, শংকৰী যুগ, শংকৰোত্তৰ যুগ) | ১২ | ০৩ | ১৫ | ১৫ |
| ৪ | আধুনিক অসমীয়া সাহিত্যৰ পটভূমি আৰু বৈশিষ্ট্য (অৰুণোদই যুগ, জোনাকী যুগ, ৰামধেনু যুগ, সাম্প্ৰতিক কাল) | ১৪ | ০৩ | ১৭ | ২০ |
| সৰ্বমুঠ | | ৪৮ | ১২ | ৬০ | ৬০ |

| Cognitiv Knowledge Dimensions | Cognitive Process Dimensions | | | | | |
|---|---|---|---|---|---|---|
| | Remember | Understand | Apply | Analyze | Evaluate | Create |
| Factual Knowledge | CO1, CO2, CO3, CO4 | CO1, CO2, CO3, CO4 | | CO1, CO2, CO3, CO4 | | |
| Conceptual Knowledge | | CO1, CO2, CO3, CO4 | | CO1, CO2, CO3, CO4 | | |
| Procedural Knowledge | | | | CO1, CO2, CO3, CO4 | CO1, CO2, CO3, CO4 | |
| Meta-Cognitive Knowledge | | CO1, CO2, CO3, CO4 | CO1, CO2, CO3, CO4 | | | CO1, CO2, CO3, CO4 |

➢ আভ্যন্তৰীণ মূল্যায়নৰ মুঠ নম্বৰ - ৪০

| ক্ৰম | শিতান | নম্বৰ |
|---|---|---|
| ১ | আভ্যন্তৰীণ পৰীক্ষা-১ | ১০ |
| ২ | আভ্যন্তৰীণ পৰীক্ষা-২ | ১০ |
| ৩ | আলোচনা পত্ৰ প্ৰস্তুত/দলীয় আলোচনা | ১০ |
| ৪ | গৃহকৰ্ম | ০৫ |
| ৫ | শ্ৰেণীত উপস্থিতি | ০৫ |
| সৰ্বমুঠ নম্বৰ | | ৪০ |

প্ৰসংগ পুথি –


- অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সত্যেন্দ্ৰনাথ শৰ্মা, সৌমাৰ প্ৰকাশ
- অসমীয়া সাহিত্যৰ ৰূপৰেখা, মহেশ্বৰ নেওগ, মহেশ্বৰ নেওগ সোঁৱৰণী সংস্থা
- নতুন পোহৰত অসমীয়া সাহিত্যৰ বুৰঞ্জী, ডিম্বেশ্বৰ নেওগ, শুৱনী প্ৰকাশ, গুৱাহাটী
- অসমীয়া সাহিত্যৰ বুৰঞ্জী (দ্বিতীয় খণ্ড), শিৱনাথ বৰ্মন (সম্পা.), আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি কেন্দ্ৰ
- অসমীয়া সাহিত্যৰ বুৰঞ্জী (ষষ্ঠ খণ্ড), হোমেন বৰগোহাঞি (সম্পা.), আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি কেন্দ্ৰ
- অসমীয়া সাহিত্যৰ বুৰঞ্জী (পঞ্চম খণ্ড), ৰঞ্জিত কুমাৰ দেৱগোস্বামী (সম্পা.), আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি কেন্দ্ৰ
- অসমীয়া সাহিত্যৰ বুৰঞ্জী (প্ৰথম খণ্ড), বিশ্বেশ্বৰ হাজৰিকা (সম্পা.), আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি কেন্দ্ৰ
- অসমীয়া সাহিত্যৰ বুৰঞ্জী (তৃতীয় খণ্ড), বাণীকান্ত শৰ্মা (সম্পা.), আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি কেন্দ্ৰ
- আধুনিক অসমীয়া সাহিত্যৰ পৰিচয়, লীলা গগৈ (সম্পা.), বনলতা

স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক

পাঠ্যক্ৰম নম্বৰ-C102

কাকতৰ নাম-অসমীয়া ভাষাৰ উৎপত্তি আৰু ক্ৰমবিকাশ

NATURE OF COURSE-CORE

মুঠ-ক্ৰেডিট-৪

নম্বৰ বিভাজন-৬০(লিখিত পৰীক্ষা)+৪০(আভ্যন্তৰীণ মূল্যায়ন)

প্ৰস্তাৱনা :

ভাষা সৃষ্টিৰ আঁৰত আছে মানুহৰ ভাৱপ্ৰকাশৰ আজন্ম হেঁপাহ। সেই হেঁপাহৰ আঁত ধৰিয়েই ভাষা একোটাই থিতাপি লয়। সময়ৰ সোঁতত থন ধৰি উঠে। পৰিৱৰ্দ্ধন, পৰিশোধনৰ যোগেদি সুশ্ৰাব্য ৰূপ পৰিগ্ৰহণ কৰে। বিস্তাৰৰ ব্যাপকতাই ভাষাক নতুন নতুন ৰূপত উপস্থাপন কৰে। সিয়ে কালৰ পৰিধি ভাঙি বিভিন্ন স্তৰ অতিক্ৰমি বিৱৰ্তনৰ যোগেদি ভাষা একোটাক পৈণত কৰি তোলে। বিৱৰ্তনৰ এনে এটা শুভক্ষণতে অসমীয়া ভাষায়ো স্বাভাৱিক ৰূপান্তৰৰ প্ৰক্ৰিয়াৰ যোগেৰে মাগধী অপভ্ৰংশৰ ক্ৰমপৰিৱৰ্তিত ৰূপ হিচাপে থিতাপি লয় আৰু বিভিন্ন স্তৰৰ মাজেৰে আজিৰ অৱস্থাপ্ৰাপ্ত হয়। অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কীয় বিভিন্ন মতসমূহ তথা ক্ৰমবিকাশৰ বিভিন্ন স্তৰসমূহৰ আভাস দিয়াৰ উদ্দেশ্যে এই পাঠ্যক্ৰম যুগুত কৰা হৈছে।

উদ্দেশ্য :

- অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কীয় মতসমূহৰ বিষয়ে অৱগতকৰণ ।
- অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ প্ৰত্ন আৰু পুৰণি অসমীয়া স্তৰ সম্পৰ্কে অৱগতকৰণ ।
- অসমীয়া ভাষাৰ মধ্যযুগীয় আৰু আধুনিক স্তৰ সম্পৰ্কে অৱগতকৰণ ।
- সংযোগী ভাষা হিচাপে অসমীয়া ভাষাৰ গুৰুত্ব সম্পৰ্কে অৱগতকৰণ ।

CO1 অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কীয় মতসমূহৰ ধাৰণা লাভ কৰিব ।

- LO1 বিভিন্ন পণ্ডিতে আগবঢ়োৱা অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কীয় মতসমূহ বিষয়ে জ্ঞাত হ'ব ।

CO2 অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ প্ৰত্ন অসমীয়া আৰু পুৰণি অসমীয়া স্তৰ সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিব পাৰিব ।

- LO1 প্ৰত্ন অসমীয়া স্তৰৰ চৰ্যাপদ আৰু শ্ৰীকৃষ্ণকীৰ্তনৰ ভাষা সম্পৰ্কে জ্ঞাত হ'ব ।
- LO2 পুৰণি অসমীয়া স্তৰৰ প্ৰাক শংকৰী,শংকৰী,শংকৰোত্তৰ যুগৰ লগতে পাচালী কবিসকলৰ।

CO3 অসমীয়া ভাষাৰ ক্ৰমবিকাশৰ মধ্যযুগীয় আৰু আধুনিক অসমীয়া স্তৰ সম্পৰ্কে ধাৰণা লাভ কৰিব পাৰিব ।

- LO1 মধ্যযুগীয় অসমীয়া স্তৰৰ বুৰঞ্জী সাহিত্য আৰু চৰিত সাহিত্যৰ ভাষা সম্পৰ্কে জ্ঞাত হ'ব ।
- LO2 আধুনিক অসমীয়া স্তৰৰ অৰুণোদয়,জোনাকী,আৱাহন আৰু যুদ্ধোত্তৰ যুগৰ ভাষা সম্পৰ্কে জ্ঞাত হ'ব ।

CO1 সংযোগী ভাষা হিচাপে অসমীয়া ভাষাৰ বিষয়ে ধাৰণা লাভ কৰিব পাৰিব ।

- ILO1 সংযোগী ভাষা হিচাপে অসমীয়া ভাষাৰ ভূমিকা সম্পৰ্কে জ্ঞাত হ'ব ।
- ILO2 সংযোগী ভাষা হিচাপে অসমীয়া ভাষাৰ গুৰুত্ব সম্পৰ্কে জ্ঞাত হ'ব।

| গোট | বিষয় | পাঠদান | অনুশিক্ষণ | মুঠ | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| ১ | অসমীয়া ভাষাৰ উৎপত্তি সম্পৰ্কীয় মতসমূহ | ১০ | ৩ | ১৪ | ১২ |
| ২ | প্ৰত্ন অসমীয়া স্তৰ<br>পুৰণি অসমীয়া স্তৰ | ১৪ | ৩ | ১৬ | ১৮ |
| ৩ | মধ্যযুগীয় অসমীয়া স্তৰ<br>আধুনিক অসমীয়া স্তৰ | ১৪ | ৩ | ১৬ | ১৮ |
| ৪ | সংযোগী ভাষা হিচাপে অসমীয়া ভাষা | ১০ | ৩ | ১৪ | ১২ |
| সৰ্বমুঠ | | ৪৮ | ১২ | ৬০ | ৬০ |

| Cognitiv Knowledge Dimensions | Cognitive Process Dimensions | | | | | |
|---|---|---|---|---|---|---|
| | Remember | Understand | Apply | Analyze | Evaluate | Create |
| Factual Knowledge | CO1 | CO1, CO2, CO3 | CO4 | CO2, CO3 | | |
| Conceptual Knowledge | CO1 | CO1, CO2, CO3 | CO4 | CO3, CO4 | | |
| Procedural Knowledge | | CO1, CO2, CO3 | CO4 | CO3 | CO4 | |
| Meta-Cognitive Knowledge | | CO4 | | | | CO4 |

➤ আভ্যন্তৰীণ মূল্যায়নৰ মুঠ নম্বৰ - ৪০

| ক্ৰম | শিতান | নম্বৰ |
|---|---|---|
| ১ | আভ্যন্তৰীণ পৰীক্ষা-১ | ১০ |
| ২ | আভ্যন্তৰীণ পৰীক্ষা-২ | ১০ |
| ৩ | আলোচনা পত্ৰ প্ৰস্তুত/দলীয় আলোচনা | ১০ |
| ৪ | গৃহকৰ্ম | ০৫ |
| ৫ | শ্ৰেণীত উপস্থিতি | ০৫ |
| সৰ্বমুঠ নম্বৰ | | ৪০ |

প্ৰসংগ পুথি


- অসমীয়া ভাষাৰ ইতিহাস: ড• ৰমেশ পাঠক, অশোক বুকষ্টল, গুৱাহাটী
- অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ: ড• উপেন্দ্ৰ নাথ গোস্বামী, মণি-মাণিক প্ৰকাশ, গুৱাহাটী
- অসমীয়া ভাষাৰ গঠন আৰু বিকাশ: বিশ্বেশ্বৰ হাজৰিকা (অনুবাদ), বৰপেটা সাহিত্য সভা, বীণা লাইব্ৰেৰী, গুৱাহাটী
- Assamese, It's Formation and Development: Banikanta Kakati, LBS, Guwahati, 1995
- উদ্ভৱকালীন অসমীয়া ভাষা: সুবাসনা মহন্ত, অসম বুক ট্ৰাষ্ট, গুৱাহাটী
- অসমীয়া ভাষা আৰু সংস্কৃতি, ড• বিৰিঞ্চি কুমাৰ বৰুৱা, জাৰ্ণাল এম্পৰিয়াম, নলবাৰী
- ভাষা তৰংগীনি : ড° গোলোক চন্দ্ৰ গোস্বামী, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী
- অসমীয়া ভাষা আৰু উপভাষা: উপেন ৰাভা হাকাছাম, জ্যোতি প্ৰকাশন, গুৱাহাটী
- অসমৰ ভাষা: ভীমকান্ত বৰুৱা, বনলতা, ডিব্ৰুগড়
- অসমীয়া ভাষা চিন্তন-ড° অৰ্পনা কোঁৱৰ,বনলতা,নতুন বজাৰ,ডিব্ৰুগড়-১
- ভাষা-সাহিত্যৰ বিবিধ চিন্তা:ড° অৰ্পণা কোঁৱৰ,বনলতা,ডিব্ৰুগড়-১
- ভাষাবিজ্ঞান-ড° উপেন্দ্ৰনাথ গোস্বামী,মণি-মাণিক প্ৰকাশ,পাণবজাৰ,গুৱাহাটী-৭৮১০০১
- ভাষাবিজ্ঞানৰ ভূমিকা-ড° ৰমেশ পাঠক,অশোক বুক ষ্টল,পাণবজাৰ,গুৱাহাটী-১
- অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত-ড° সতেন্দ্ৰনাথ শৰ্মা,সৌমাৰ প্ৰকাশ
- অসমীয়া সাহিত্যৰ ৰূপৰেখা-মহেশ্বৰ নেওগ,চন্দ্ৰ প্ৰকাশ
- অসমীয়া সাহিত্যৰ দৃষ্টিপাত-হেমন্ত কুমাৰ শৰ্মা,বীণা লাইব্ৰেৰী,গুৱাহাটী
- অসমীয়া সাহিত্যৰ বুৰঞ্জী(ষষ্ঠ খণ্ড)-সম্পাদক হোমেন বৰগোহাঞি, আনন্দৰাম বৰুৱা ভাষা-কলা-সংস্কৃতি সংস্থা, অসম, উত্তৰ গুৱাহাটী, গুৱাহাটী-৭৮১০৩০

স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক

পাঠ্যক্ৰম নং - C103

কাকতৰ নাম – অসমীয়া লোকসাহিত্যৰ অধ্যয়ন

NATURE OF COURSE: CORE

মুঠ ক্ৰেডিট - ৪

নম্বৰ বিভাজন – ৬০ (লিখিত পৰীক্ষা)+৪০ (আভ্যন্তৰীণ মূল্যায়ন)

প্ৰস্তাৱনা :

লোকসাহিত্য হ'ল লোকসংস্কৃতিৰ ভিতৰুৱা এটি উপবিধা (Sub-Genre)। লোকসংস্কৃতিৰ অন্তৰ্গত বিশ্বাস, মূল্যবোধ আৰু অনুভৱ-অভিজ্ঞতাৰ মৌখিক আৰু লিখিত প্ৰকাশেই হ'ল লোকসাহিত্য। লোকসাহিত্যত সহজ-সৰল চহা প্ৰাণৰ সুকোমল অনুভৱ আৰু লোকবোধৰ প্ৰকাশ ঘটে। লোকসাহিত্যই বিশেষভাৱে মৌখিক পৰম্পৰা, পৰিৱৰ্তনশীলতা, সমাজীকৰণ, সাধাৰণীকৰণ আৰু সাৰ্বজনীনতাৰ সৃজনশীল উদ্যম বহন কৰে। তদুপৰি পৃথিৱীৰ সকলো লোকসাহিত্যই সেই বিশেষ অঞ্চলৰ সামগ্ৰিক জীৱনচৰ্যাৰ বৈশিষ্ট্যৰে স্বতন্ত্ৰতা বহন কৰে। পৃথিৱীৰ অন্যান্য লোকসমাজৰ দৰেই অসমীয়া লোকসাহিত্যৰো সাৰ্বজনীন আবেদনৰ লগতে সম্পদশালী নিজা সাংস্কৃতিক সম্পদেৰে সুকীয়া পৰিচয় আছে। লোকসাহিত্যৰ সামগ্ৰিক বিচাৰত অসমীয়া লোকসাহিত্যৰ স্বতন্ত্ৰ পৰিচয় আৰু স্বৰূপ স্পষ্ট কৰি অধ্যায়নৰ ধাৰণা দিবলৈ এই পাঠ্যক্ৰমত যত্ন কৰা হৈছে।

উদ্দেশ্য :

- অসমীয়া লোকসাহিত্যৰ সাধাৰণ পৰিচয়, বৈশিষ্ট্য, শ্ৰেণীবিভাজন আৰু লোকসাহিত্যত অসমীয়া লোকজীৱন আৰু লোকপ্ৰজ্ঞা কিদৰে প্ৰতিফলিত হৈছে সেই সম্পৰ্কে এটা আভাস দিয়া হ'ব।
- অসমীয়া লোকগীতত অনুষ্ঠানমূলক লোকগীত, আখ্যানমূলক লোকগীত আৰু অন্যান্য লোকগীতৰ বিষয়ে অধ্যয়ন কৰা হ'ব।
- অসমীয়া সাধুকথাৰ পৰিচয়সহ জীৱ-জন্তু মূলক সাধুকথা, অলৌকিক বা যাদুমূলক সাধুকথা আৰু টেটোন সাধুকথা আদিৰ বিষয়ে পৰিচয় দিয়া হ'ব।
- অসমীয়া ফকৰা-যোজনা, প্ৰবচনৰ বিষয়ে আলোচনা কৰা হ'ব।

COI অসমীয়া লোকসাহিত্যৰ ধাৰণাসহ বৈশিষ্ট্য, শ্ৰেণীবিভাজনৰ লগতে অসমীয়া লোকজীৱন আৰু লোকপ্ৰজ্ঞা বিষয়ে সম্যক জ্ঞান লাভ কৰিব।

- ILO1 অসমীয়া লোকসাহিত্যৰ পৰিচয়, বৈশিষ্ট্য আৰু শ্ৰেণীবিভাজন সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকল অৱগত হ'ব।
- ILO2 অসমীয়া লোকজীৱন আৰু লোকপ্ৰজ্ঞা লোকসাহিত্যত কেনেদৰে প্ৰতিফলিত হৈছে সেই সম্পৰ্কে জানিব পাৰিব।

CO2 অসমীয়া লোকসাহিত্যৰ অন্তৰ্গত লোকগীতৰ সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিব।

- ILO1 অসমীয়া অনুষ্ঠানমূলক লোকগীত (আইনাম, বিহুনাম) আদিৰ বিষয়ে জানিব পাৰিব।
- ILO2 অসমীয়া আখ্যানমূলক লোকগীত (কমলাকুঁৱৰীৰ গীত, মণিৰাম দেৱানৰ গীত) আদিৰ বিষয়ে অৱগত হ'ব।
- ILO3 অসমীয়া অন্যান্য লোকগীত যেনে- নিচুকনী গীত, নাওখেলৰ গীত আদিৰ সম্পৰ্কে জানিব পাৰিব।

CO3 অসমীয়া সাধুকথাৰ পৰিচয় সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিব।

- ILO1 জীৱ-জন্তুমূলক সাধুকথা সম্পৰ্কে জানিব পাৰিব।
- ILO2 অসমীয়া অলৌকিক বা যাদুমূলক সাধুকথা সম্পৰ্কে জানিব পাৰিব।
- ILO3 অসমীয়া ভাষাৰ টেটোনমূলক সাধুকথা সম্পৰ্কে জ্ঞাত হ'ব।

CO4 অসমীয়া ফকৰা-যোজনা, প্ৰবচনৰ সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিব।

- ILO1 নীতি-জ্ঞানমূলক প্ৰবচন সম্পৰ্কে জানিব পৰা যাব।
- ILO2 ৰন্ধন-প্ৰকৰণ সম্পৰ্কীয় ডাকৰ বচনৰ বিষয়ে জানিব পাৰিব।
- ILO3 ভকতীয়া ফকৰা সম্পৰ্কে জানিব পাৰিব।

| গোট | বিষয় | পাঠদান | অনুশিক্ষণ | মুঠ | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| ১ | ক) অসমীয়া লোকসাহিত্যৰ সাধাৰণ পৰিচয়, বৈশিষ্ট্য, শ্ৰেণীবিভাজন<br>খ) লোকসাহিত্যত অসমীয়া লোকজীৱন আৰু লোকপ্ৰজ্ঞা | ১০ | ০২ | ১২ | ১৪ |

| | | | | | |
|---|---|---|---|---|---|
| ২ | অসমীয়া লোকগীত<br>ক. অনুষ্ঠানমূলক লোকগীত - ধৰ্মীয় আৰু ধৰ্ম নিৰপেক্ষ<br>ক) আইনাম<br>খ) বিহুনাম<br>খ. আখ্যানমূলক লোকগীত (কিংবদন্তী আৰু বুৰঞ্জীমূলক)<br>ক) কমলা কুঁৱৰীৰ গীত<br>খ) মণিৰাম দেৱানৰ গীত<br>গ. অন্যান্য লোকগীত<br>ক) নাওখেলৰ গীত<br>খ) নিচুকনি গীত | ১৪ | ০৪ | ১৮ | ১৬ |
| ৩ | অসমীয়া সাধুকথা<br>ক) জীৱ-জন্তুমূলক সাধুকথা<br>খ) অতিলৌকিক বা যাদুমূলক সাধুকথা<br>গ) টেটোনৰ সাধুকথা | ১২ | ০৩ | ১৫ | ১৫ |
| ৪ | অসমীয়া ফকৰা যোজনা আৰু প্ৰবচন<br>ক) প্ৰবচন – নীতি-জ্ঞানমূলক প্ৰবচন<br>খ) ডাকৰ বচন - ৰন্ধন প্ৰকৰণ অংশ<br>গ) ফকৰা-যোজনা – ভকতীয়া ফকৰা | ১২ | ০৩ | ১৫ | ১৫ |
| সৰ্বমুঠ | | ৪৮ | ১২ | ৬০ | ৬০ |

| Cognitiv Knowledge Dimensions | Cognitive Process Dimensions | | | | | |
|---|---|---|---|---|---|---|
| | Remember | Understand | Apply | Analyze | Evaluate | Create |
| Factual Knowledge | CO1 | CO1, CO2, CO3, CO4 | | CO1, CO2, CO3, CO4 | CO1, CO2, CO3, CO4 | |
| Conceptual Knowledge | | CO1, CO2, CO3, CO4 | CO1 ,CO2, CO3, CO4 | CO1, CO2, CO3, CO4 | CO1, CO2, CO3, CO4 | |
| Procedural Knowledge | | | CO2, CO3, CO4 | | | |
| Meta-Cognitive Knowledge | | | CO1, CO2, CO3, CO4 | | CO1,CO2, CO3, CO4 | CO1, CO2, CO3, CO4 |

- আভ্যন্তৰীণ মূল্যায়নৰ মুঠ নম্বৰ - ৪০

| ক্ৰম | শিতান | নম্বৰ |
|---|---|---|
| ১ | আভ্যন্তৰীণ পৰীক্ষা-১ | ১০ |
| ২ | আভ্যন্তৰীণ পৰীক্ষা-২ | ১০ |
| ৩ | আলোচনা পত্ৰ প্ৰস্তুত/দলীয় আলোচনা | ১০ |
| ৪ | গৃহকৰ্ম | ০৫ |
| ৫ | শ্ৰেণীত উপস্থিতি | ০৫ |
| সৰ্বমুঠ নম্বৰ | | ৪০ |

প্ৰসংগ পুথি –


- বিহুগীত আৰু বনঘোষা, লীলা গগৈ, বনলতা, গুৱাহাটী
- অসমীয়া লোকসাহিত্যৰ ৰূপৰেখা, লীলা গগৈ, বনলতা
- অসমীয়া লোকসাহিত্য, প্ৰহ্লাদ কুমাৰ বৰুৱা, অসম সাহিত্য সভা
- অসমৰ লোকসাহিত্য, শশী শৰ্মা, ষ্টুডেন্ট্ ষ্টৰচ্

- অসমীয়া লোকসাহিত্যৰ বুৰঞ্জী, নবীন চন্দ্ৰ শৰ্মা, উপেন ৰাভা হাকাছাম(সম্পা.), অসম সাহিত্য সভা
- অসমীয়া গীতি সাহিত্য, মহেশ্বৰ নেওগ, চন্দ্ৰ প্ৰকাশ
- অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত, সত্যেন্দ্ৰনাথ শৰ্মা,
- অসমীয়া সাহিত্যৰ ৰূপৰেখা, মহেশ্বৰ নেওগ, মহেশ্বৰ নেওগ সোঁৱৰণী সংস্থা
- ফকৰা-যোজনা আৰু অসমীয়া সমাজ, চিত্ৰলেখা ফুকন, অসম সাহিত্য সভা
- ডাকৰ বচন, দণ্ডীৰাম দত্ত, লয়াৰ্ছ বুক ষ্টল
- প্ৰবাদ-প্ৰবচন, চক্ৰেশ্বৰ দাস, বাণী মন্দিৰ
- অসমীয়া খণ্ডবাক্য আৰু আৰু প্ৰবাদ-প্ৰবচন, পৰেশ বৈশ্য, ৰেখা প্ৰকাশন
- অসমৰ লোকসাহিত্য, ডক্টৰ নবীনচন্দ্ৰ শৰ্মা, জ্যোতি প্ৰকাশন

স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক

পাঠ্যক্ৰম নং - DSE101

কাকতৰ নাম - অসমীয়া ভাষাৰ ৰূপভেদ

NATURE OF COURSE: DSE

মুঠ ক্ৰেডিট - ৪

নম্বৰ বিভাজন – ৬০ (লিখিত পৰীক্ষা)+৪০ (আভ্যন্তৰীণ মূল্যায়ন)

প্ৰস্তাৱনা :

ভাষা একোটাৰ মাজত সমাহিত হৈ থাকে ইয়াৰ ভিন্নৰূপ। এই ৰূপভেদে ভাষাৰ অন্তৰ্নিহিত বৈষম্যকে নিৰ্দেশ কৰে ।সেই বৈষম্য আঞ্চলিক, সামাজিক, জাতি নাইবা নৃগোষ্ঠীজনিত হ'ব পাৰে। সেই বৈষম্যৰ উৰ্দ্ধতো এই ৰূপবোৰৰ মাজত থকা সামূহিক ঐক্যই ইহঁতক একোটা ভাষাৰ গণ্ডীৰ ভিতৰত সামৰি ৰাখে। অসমীয়া ভাষাৰ ক্ষেত্ৰতো এই ভিন্ন ৰূপসমূহ বৰ্তমান। এই ৰূপভেদৰ বিশ্লেষণৰ যোগেদি অসমীয়া ভাষাৰ ভিন্ন ৰূপসমূহৰ মাজত থকা বৈষম্য তথা পাৰস্পৰিক সম্পৰ্ক বিচাৰ কৰাৰ উদ্দেশ্যে এই পাঠ্যক্ৰম যুগুত কৰা হৈছে।

উদ্দেশ্য :

- এই কাকতখনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে উপভাষা আৰু উপভাষাৰ বৈশিষ্ট্য সম্পৰ্কে অৱগত হ'ব।
- উপভাষাৰ ভিন্ন ৰূপসমূহৰ বিষয়ে অৱগতকৰণ।
- অসমীয়া ভাষাৰ উপভাষাসমূহৰ পৰিচয় প্ৰদান।
- অসমীয়া ভাষাৰ উপভাষাসমূহৰ বৈশিষ্ট্য সম্পৰ্কে অৱগতকৰণ।
- অসমীয়া ভাষাৰ উপভাষাসমূহৰ মাজত থকা পাৰস্পৰিক সম্পৰ্ক আৰু পাৰ্থক্য সম্পৰ্কে অৱগত কৰা হ'ব।

CO1 অসমীয়া ভাষাৰ সংজ্ঞাবৈশিষ্ট্য তথা ভিন্ন ৰূপ সম্পৰ্কে অৱগতকৰণ।

- ILOI অসমীয়া ভাষাৰ সংজ্ঞা আৰু বৈশিষ্ট্য সম্পৰ্কে জ্ঞাত হ'ব।
- ILOII উপভাষাৰ ভিন্নৰূপ সম্পৰ্কে জানিব পাৰিব।

CO2 অসমীয়া ভাষাৰ উপভাষাসমূহৰ বিষয়ে অৱগত কৰা হ'ব।

- ILOI অসমীয়া ভাষাৰ উপভাষাসমূহৰ বিষয়ে জ্ঞাত হ'ব।
- ILOII বিভিন্ন পণ্ডিতে আগবঢ়োৱা উপভাষাৰ শ্ৰেণীসমূহৰ বিষয়ে জ্ঞাত হ'ব।

CO3 অসমীয়া ভাষাৰ উপভাষাসমূহৰ বৈশিষ্ট্য সম্পৰ্কে অৱগতকৰণ।

- ILOI অসমীয়া ভাষাৰ উপভাষাসমূহৰ ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক বৈশিষ্ট্য সম্পৰ্কে জ্ঞাত হ'ব।
- ILOII অসমীয়া ভাষাৰ উপভাষাসমূহৰ শব্দতাত্ত্বিক বৈশিষ্ট্য সম্পৰ্কে জ্ঞাত হ'ব।

CO4 অসমীয়া ভাষাৰ উপভাষাসমূহৰ মাজত থকা পাৰস্পৰিক সম্পৰ্ক আৰু পাৰ্থক্য বিচাৰ কৰা।

- ILOI অসমীয়া ভাষাৰ উপভাষাসমূহৰ মাজত থকা ধ্বনিতাত্ত্বিক আৰু ৰূপতাত্ত্বিক সম্পৰ্ক আৰু পাৰ্থক্য সম্পৰ্কে জ্ঞাত হ'ব।
- ILOII অসমীয়া ভাষাৰ উপভাষাসমূহৰ মাজত থকা শব্দতাত্ত্বিক সম্পৰ্ক আৰু পাৰ্থক্য সম্পৰ্কে জ্ঞাত হ'ব।

| গোট | পাঠ্যক্ৰম | পাঠদান | অনুশিক্ষণ | মুঠ | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| ১ | উপভাষা-সংজ্ঞা আৰু বৈশিষ্ট্য<br>উপভাষাৰ ভিন্নৰূপ-<br>আঞ্চলিক, সামাজিক, জাতিগত, নৃগোষ্ঠীয়, অন্যান্য | ১২ | ৩ | ১৫ | ১৬ |
| ২ | অসমীয়া ভাষাৰ উপভাষাৰ পৰিচয় | ১২ | ৩ | ১৫ | ১২ |
| ৩ | অসমীয়া ভাষাৰ উপভাষাসমূহৰ বৈশিষ্ট্য | ১০ | ৩ | ১৩ | ১২ |
| ৪ | অসমীয়া ভাষাৰ উপভাষাসমূহৰ পৰস্পৰৰ মাজত থকা ধ্বনিতাত্ত্বিক, ৰূপতাত্ত্বিক আৰু শব্দতাত্ত্বিক সম্পৰ্ক আৰু পাৰ্থক্য | ১৪ | ৩ | ১৭ | ২০ |
| সৰ্বমুঠ | | ৪৮ | ১২ | ৬০ | ৬০ |

| Cognitiv Knowledge Dimensions | Cognitive Process Dimensions | | | | | |
|---|---|---|---|---|---|---|
| | Remember | Understand | Apply | Analyze | Evaluate | Create |
| Factual Knowledge | CO1 | CO1, CO2, CO3 | CO3, CO4 | CO3, CO4 | | |
| Conceptual Knowledge | CO1 | CO1, CO2, CO3 | CO3, CO4 | CO3, CO4 | | |
| Procedural Knowledge | | | CO3, CO4 | CO3, CO4 | CO3, CO4 | |
| Meta-Cognitive Knowledge | | CO3, CO4 | | | | CO4 |

➢ আভ্যন্তৰীণ মূল্যায়নৰ মুঠ নম্বৰ - ৪০

| ক্ৰম | শিতান | নম্বৰ |
|---|---|---|
| ১ | আভ্যন্তৰীণ পৰীক্ষা-১ | ১০ |
| ২ | আভ্যন্তৰীণ পৰীক্ষা-২ | ১০ |
| ৩ | আলোচনা পত্ৰ প্ৰস্তুত/দলীয় আলোচনা | ১০ |
| ৪ | গৃহকৰ্ম | ০৫ |
| ৫ | শ্ৰেণীত উপস্থিতি | ০৫ |
| সৰ্বমুঠ নম্বৰ | | ৪০ |

প্ৰসংগ পুথি


- অসমীয়া ভাষাৰ ইতিহাস: ড• ৰমেশ পাঠক, অশোক বুকষ্টল, গুৱাহাটী
- অসমীয়া ভাষাৰ উদ্ভৱ, সমৃদ্ধি আৰু বিকাশ: ড• উপেন্দ্ৰ নাথ গোস্বামী, মণি-মাণিক প্ৰকাশ, গুৱাহাটী
- অসমীয়া ভাষাৰ গঠন আৰু বিকাশ: বিশ্বেশ্বৰ হাজৰিকা (অনুবাদ), বৰপেটা সাহিত্য সভা, বীণা লাইব্ৰেৰী, গুৱাহাটী
- Assamese, It's Formation and Development: Banikanta Kakati, LBS, Guwahati, 1995
- উদ্ভৱকালীন অসমীয়া ভাষা: সুবাসনা মহন্ত, অসম বুক ট্ৰাষ্ট, গুৱাহাটী
- অসমীয়া ভাষা আৰু সংস্কৃতি, ড• বিৰিঞ্চি কুমাৰ বৰুৱা, জাৰ্ণাল এম্পৰি'য়াম, নলবাৰী
- ভাষা তৰংগীনি : ড° গোলোক চন্দ্ৰ গোস্বামী, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী
- অসমীয়া ভাষা আৰু উপভাষা: উপেন ৰাভা হাকাছাম, জ্যোতি প্ৰকাশন, গুৱাহাটী
- অসমীয়া ভাষা চিন্তন:ড° অৰ্পনা কোঁৱৰ,বনলতা,নতুন বজাৰ,ডিব্ৰুগড়-১
- ভাষাবিজ্ঞান-ড° উপেন্দ্ৰনাথ গোস্বামী,মণি-মাণিক প্ৰকাশ,পাণবজাৰ,গুৱাহাটী-৭৮১০০১
- ভাষাবিজ্ঞানৰ ভূমিকা-ড° ৰমেশ পাঠক,অশোক বুক ষ্টল,পাণবজাৰ,গুৱাহাটী-১
- অসমীয়া ভাষাৰ উপভাষা: দীপ্তি ফুকন পাটগিৰি (সম্পাদনা), প্ৰকাশন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
- ভাষা-সাহিত্যৰ বিবিধ চিন্তা, ড° অৰ্পণা কোঁৱৰ,বনলতা,ডিব্ৰুগড়-১
- উপভাষা -বিজ্ঞান: ড° দীপঙ্কৰ মৰল,ষ্টুডেণ্টচ্ ষ্টৰচ,গুৱাহাটী-৭৮১০০১

স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক

কাকতৰ নাম – অসমীয়া কাহিনী সাহিত্য (নিৰ্বাচিত পাঠৰ অধ্যয়ন)

পাঠ্যক্ৰম নং - DSE102

NATURE OF COURSE: DSE

মুঠ ক্ৰেডিট - ৪

নম্বৰ বিভাজন – ৬০ (লিখিত পৰীক্ষা)+৪০ (আভ্যন্তৰীণ মূল্যায়ন)

প্ৰস্তাৱনা :

অসমীয়া সাহিত্যৰ জগতখনক সমৃদ্ধ কৰি ৰখা সাহিত্যৰ বিভিন্ন শাখাসমূহৰ ভিতৰত কাহিনী সাহিত্য অন্যতম। কাহিনী বা ঘটনাই এনে সাহিত্যৰ আধাৰবস্তু। কাহিনী সাহিত্যত মানৱ জীৱনৰ সৈতে জড়িত সমাজ-সংস্কৃতি তথা জীৱন-জগতৰ নানান ঘটনা-পৰিঘটনা, কল্পনা, বাস্তৱতা, জীৱনৰ অভিজ্ঞতা, সমাজ আৰু ব্যক্তিগত অনুভৱসমূহ কাহিনী আকাৰে প্ৰকাশিত হয়। অসমীয়া কাহিনী সাহিত্যই উপন্যাস, চুটিগল্প, নাটক আদিৰ মাজেৰে গতি লাভ কৰিছে। অসমীয়া সাহিত্যত কাহিনী সাহিত্যৰ এক দীঘল ইতিহাস আৰু ঐতিহ্য আছে আৰু সময়ে সময়ে এই সাহিত্যই সুকীয়া সুকীয়া বৈশিষ্ট্য-শৈলীৰে সমৃদ্ধ হৈ আজিৰ সময়লৈ প্ৰবাহিত হৈছে। এই কাকতখনৰ যোগেদি অসমীয়া কাহিনী সাহিত্যৰ গতি প্ৰকৃতি তথা এই কাহিনী সাহিত্যৰ অন্তৰ্গত অসমীয়া গল্প, উপন্যাস আৰু নাটকৰ নিৰ্বাচিত পাঠৰ এক ব্যৱহাৰিক ধাৰণা দিবলৈ যত্ন কৰা হৈছে।

উদ্দেশ্য :

- অসমীয়া কাহিনী সাহিত্যৰ পৰিচয় আৰু গতি-বৈচিত্ৰ্য (উপন্যাস, নাটক, চুটিগল্প)ৰ পৰিচয়জ্ঞাপক ধাৰণা দিয়া হ'ব।
- অসমীয়া সাহিত্যৰ কেইগৰাকীমান বিশিষ্ট নাট্যকাৰৰ নিৰ্বাচিত নাটকসমূহৰ ব্যৱহাৰিক জ্ঞান লাভ কৰাত সুবিধা প্ৰদান কৰা হ'ব।
- অসমীয়া সাহিত্যৰ কেইগৰাকীমান বিশিষ্ট চুটিগল্পকাৰৰ নিৰ্বাচিত চুটিগল্পসমূহৰ ব্যৱহাৰিক জ্ঞান লাভ কৰাত সুবিধা প্ৰদান কৰা হ'ব।
- অসমীয়া সাহিত্যৰ কেইগৰাকীমান বিশিষ্ট ঔপন্যাসিকৰ নিৰ্বাচিত উপন্যাসসমূহৰ ব্যৱহাৰিক জ্ঞান লাভ কৰাত সুবিধা প্ৰদান কৰা হ'ব।

CO1 অসমীয়া কাহিনী সাহিত্যৰ পৰিচয় আৰু গতি-বৈচিত্ৰ্যৰ সম্পৰ্কে ধাৰণা লাভ কৰিব পাৰিব।

- ILO1 অসমীয়া কাহিনী সাহিত্যৰ অন্যতম বিধা উপন্যাস, চুটিগল্প, নাটকৰ সম্পৰ্কে পৰিচয়মূলক ধাৰণা লাভ কৰিব পৰা যাব।

CO2 অসমীয়া সাহিত্যৰ বিশিষ্ট নাট্যকাৰৰ নিৰ্বাচিত নাটকসমূহৰ সম্পৰ্কে জানিব পৰা যাব।

- ILO1 নিৰ্বাচিত নাটকত চৰিত্ৰ আৰু চৰিত্ৰসমূহৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহৰ সম্পৰ্কে জ্ঞাত হ'ব পাৰিব।
- ILO2 নিৰ্বাচিত নাটকত প্ৰকাশিত সমকালীন সমাজব্যৱস্থা আৰু বাস্তৱজীৱন কেনেদৰে প্ৰতিফলিত হৈছে সেই সম্পৰ্কে অৱগত হ'ব পৰা যাব।
- ILO3 নিৰ্বাচিত নাটকত প্ৰকাশিত নাটকীয় গুণসমূহ কেনেদৰে প্ৰকাশ পাইছে সেই সম্পৰ্কে জ্ঞাত হ'ব পৰা যাব।
- ILO4 নিৰ্বাচিত নাটকৰ নাটকীয় কলা-কৌশল সম্পৰ্কে অৱগত হ'ব পৰা যাব।

CO3 অসমীয়া সাহিত্যৰ বিশিষ্ট গল্পকাৰৰ নিৰ্বাচিত গল্পসমূহৰ সম্পৰ্কে জানিব পৰা যাব।

- ILO1 নিৰ্বাচিত গল্পৰ চৰিত্ৰসমূহৰ চাৰিত্ৰিক বৈশিষ্ট্যসমূহৰ সম্পৰ্কে জ্ঞাত হ'ব পাৰিব।
- ILO2 নিৰ্বাচিত গল্পত প্ৰতিফলিত সমকালীন সমাজব্যৱস্থা আৰু বাস্তৱজীৱন সম্পৰ্কে অৱগত হ'ব পৰা যাব।
- ILO3 নিৰ্বাচিত গল্পৰ কলা-কৌশল সম্পৰ্কে অৱগত হ'ব পৰা যাব।

CO4 অসমীয়া সাহিত্যৰ বিশিষ্ট ঔপন্যাসিকৰ নিৰ্বাচিত উপন্যাস সমূহৰ সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিব পাৰিব।

- ILO1 উপন্যাসখনসমূহৰ কাহিনী, পটভূমি, চৰিত্ৰসমূহৰ চাৰিত্ৰিক বৈশিষ্ট্য, মানসিক অৱস্থা সম্পৰ্কে জ্ঞাত হ'ব পৰা যাব।
- ILO2 উপন্যাসত প্ৰতিফলিত সমকালীন সমাজব্যৱস্থাৰ সম্পৰ্কে জ্ঞাত হ'ব পৰা যাব।
- ILO3 উপন্যাসত ৰচনাত প্ৰয়োগ হোৱা নব্য শৈলী-পদ্ধতি-দৃষ্টিভংগী সম্পৰ্কে জ্ঞাত হ'ব পৰা যাব।

| গোট | বিষয় | পাঠদান | অনুশিক্ষণ | মুঠ | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| ১ | অসমীয়া কাহিনী সাহিত্যৰ পৰিচয় আৰু গতি-বৈচিত্ৰ্য (নাটক, চুটিগল্প আৰু উপন্যাস) | ০৮ | ০২ | ১০ | ১২ |
| ২ | নাটক— (যিকোনো দুখন)<br>➢ শংকৰদেৱৰ 'পাৰিজাত হৰণ' | ১২ | ০৪ | ১৬ | ১৬ |

| | | | | | |
|---|---|---|---|---|---|
| | ➢ গুণাভিৰাম বৰুৱাৰ ‘ৰাম নৱমী’<br>➢ অতুলচন্দ্ৰ হাজৰিকাৰ ‘নৰকাসুৰ’<br>➢ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ‘কাৰেঙৰ লিগিৰী’<br>➢ অৰুণ শৰ্মাৰ ‘শ্ৰীনিৱাৰণ ভট্টাচাৰ্য’<br>➢ আলি হাইদৰ ‘এটা চোলাৰ কাহিনী’<br>➢ সপোনজ্যোতি ঠাকুৰৰ ‘অন্যায় ন্যায়’ | | | | |
| ৩ | চুটিগল্প – (যিকোনো চাৰিটা)<br>➢ লক্ষ্মীনাথ বেজবৰুৱাৰ ‘পাটমুগী’<br>➢ ত্ৰৈলোক্যনাথ গোস্বামী ‘পতিত আৰু পতিতা’<br>➢ চৈয়দ আব্দুল মালিকৰ ‘হৰিমাষ্টৰৰ দোকান’<br>➢ সৌৰভ কুমাৰ চলিহাৰ ‘বীণা কুটীৰ’<br>➢ ভবেন্দ্ৰনাথ শইকীয়াৰ ‘শৃংখল’<br>➢ পূৰবী বৰমুদৈৰ ‘ৰাজনীতি নুবুজা মানুহ’<br>➢ প্ৰণৱজ্যোতি ডেকাৰ ‘বেওৱাৰিছ লাচ’<br>➢ ইমৰান হুছেইনৰ ‘বাঁক’ | ১৪ | ০৩ | ১৭ | ১৬ |
| ৪ | উপন্যাস – (যিকোনো দুখন)<br>➢ বীণা বৰুৱাৰ ‘জীৱনৰ বাটত’<br>➢ প্ৰফুল্ল দত্ত গোস্বামীৰ ‘কেঁচাপাতৰ কঁপনি’<br>➢ কাঞ্চন বৰুৱাৰ ‘অসীমত যাৰ হেৰাল সীমা’<br>➢ হোমেন বৰগোহাঞিৰ ‘সাউদৰ পুতেকে নাও মেলি যায়’<br>➢ লক্ষ্মীনন্দন বৰাৰ ‘যাকেৰি নাহিকে উপাম’<br>➢ নিৰুপমা বৰগোহাঞিৰ ‘সেই নদী নিৰৱধি’<br>➢ অনুৰাধা শৰ্মা পূজাৰীৰ ‘ইয়াত এখন অৰণ্য আছিল’<br>➢ মৃদুল শৰ্মাৰ ‘তেজীমলাৰ মাকৰ সাধু’ | ১৪ | ০৩ | ১৭ | ১৬ |
| সৰ্বমুঠ | | ৪৮ | ১২ | ৬০ | ৬০ |

| Cognitiv Knowledge Dimensions | Cognitive Process Dimensions | | | | | |
|---|---|---|---|---|---|---|
| | Remember | Understand | Apply | Analyze | Evaluate | Create |
| Factual Knowledge | CO1 | CO1, CO2, CO3, CO4 | | CO2, CO3, CO4 | CO2, CO3, CO4 | |
| Conceptual Knowledge | | CO2, CO3, CO4 | | CO2, CO3, CO4 | CO2, CO3, CO4 | |
| Procedural Knowledge | | | CO2, CO3, CO4 | | | |
| Meta-Cognitive Knowledge | | CO2, CO3, CO4 | | CO2, CO3, CO4 | CO2, CO3, CO4 | CO2, CO3, CO4 |

- আভ্যন্তৰীণ মূল্যায়নৰ মুঠ নম্বৰ - ৪০

| ক্ৰম | শিতান | নম্বৰ |
|---|---|---|
| ১ | আভ্যন্তৰীণ পৰীক্ষা-১ | ১০ |
| ২ | আভ্যন্তৰীণ পৰীক্ষা-২ | ১০ |
| ৩ | আলোচনা পত্ৰ প্ৰস্তুত/দলীয় আলোচনা | ১০ |
| ৪ | গৃহকৰ্ম | ০৫ |

| | | |
|---|---|---|
| ৫ | শ্ৰেণীত উপস্থিতি | ০৫ |
| সৰ্বমুঠ নম্বৰ | | ৪০ |

প্ৰসংগ পুথি –

- স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা, প্ৰফুল্ল কটকী, বীণা লাইব্ৰেৰী, গুৱাহাটী
- অসমীয়া উপন্যাসৰ গতিধাৰা, সত্যেন্দ্ৰনাথ শৰ্মা, বাণী প্ৰকাশ, গুৱাহাটী
- অসমীয়া উপন্যাসৰ গতি-প্ৰকৃতি, শৈলেন ভৰালী, সাহিত্য অকাডেমি, বনলতা
- উপন্যাস আৰু অসমীয়া উপন্যাস, গোবিন্দ প্ৰসাদ শৰ্মা, ষ্টুডেণ্টচ ষ্ট'ৰচ, গুৱাহাটী
- আধুনিক গল্প সাহিত্য, ত্ৰৈলোক্যনাথ গোস্বামী, বাণী প্ৰকাশ, গুৱাহাটী
- অসমীয়া চুটিগল্পৰ অধ্যয়ন, প্ৰহলাদ কুমাৰ বৰুৱা, বনলতা, গুৱাহাটী
- বিৰিঞ্চি কুমাৰ বৰুৱা আৰু প্ৰফুল্ল দত্ত গোস্বামীৰ উপন্যাস, কৃষ্ণ কুমাৰ মিশ্ৰ, প্ৰভা প্ৰকাশনী, জয়সাগৰ
- অসমীয়া চুটিগল্প: ঐতিহ্য আৰু বিৱৰ্তন, অপূৰ্ব কুমাৰ বৰা (সম্পা.), যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়
- হোমেন বৰগোহাঞিৰ উপন্যাসত শিল্প-বৈভৱ, জয়ন্ত কুমাৰ বৰা, আসাম পাবলিচিং কোম্পানী, গুৱাহাটী
- উপন্যাস, প্ৰহ্লাদ কুমাৰ বৰুৱা
- ভিন্ন জীৱন ভিন্ন কথকতা, বিপুল খাটনীয়াৰ, প্ৰতিস্ৰোত প্ৰকাশন
- অসমীয়া নাট্যসাহিত্য, সত্যেন্দ্ৰনাথ শৰ্মা
- নাটক আৰু অসমীয়া নাটক, শৈলেন ভৰালী
- নাটক আৰু অভিনয় প্ৰসংগ, সত্যপ্ৰসাদ বৰুৱা
- অসমীয়া নাট্যসাহিত্যৰ জিলিঙণি, হৰিশ্চন্দ্ৰ ভট্টাচাৰ্য

স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক

কাকতৰ নাম – নিৰ্বাচিত সাহিত্যিকৰ সাহিত্য অধ্যয়ন

পাঠ্যক্ৰম নং - DSE103

NATURE OF COURSE: DSE

মুঠ ক্ৰেডিট - ৪

নম্বৰ বিভাজন – ৬০ (লিখিত পৰীক্ষা)+৪০ (আভ্যন্তৰীণ মূল্যায়ন)

মুঠ শ্ৰেণী সংখ্যা – ৬০ (পাঠদান+অনুশিক্ষণ)

প্ৰস্তাৱনা :

সাহিত্যিক হৈছে সাহিত্যৰ সৃষ্টিকৰ্তা। সমাজ-জীৱন আৰু ব্যক্তিগত জীৱনৰ অভিজ্ঞতাক সামৰিয়েই সাহিত্যিক বা লেখকসকলে সাহিত্য সৃষ্টি কৰে। অসমীয়া সাহিত্যৰ ইতিহাসত বিভিন্নজন লেখকে বিভিন্ন ধৰণৰ সাহিত্য ৰচনা কৰি আহিছে। লেখকসকলৰ এনে বৈচিত্ৰ্যময় সাহিত্যৰ দ্বাৰা অসমীয়া সাহিত্য সমৃদ্ধিশালী হৈ উঠিছে। লেখকসকলে সাহিত্যৰ বিভিন্ন বিধা যেনে - চুটিগল্প, কবিতা, নাটক, উপন্যাস, জীৱনী, আত্মজীৱনী, গীত আদি ৰচনা কৰি আহিছে। তেখেতসকলৰ মাজৰ অনেকেই কোনো এক নিৰ্দিষ্ট বিধাৰ সাহিত্য সৃষ্টিত বিশেষভাৱে মনোনিৱেশ কৰাৰ উপৰি সামগ্ৰিকভাৱে সাহিত্যৰ অন্য বিধাসমূহতো হাত উজান দি আহিছে। লেখকসকলৰ সাহিত্যৰচনাসমূহ নিজা নিজা বৈশিষ্ট্যৰে পৰিপূৰ্ণ। ৰচনাশৈলী, বিষয়বৈচিত্ৰ্য, দৃষ্টিভংগী, জীৱনদৰ্শন, উপস্থাপন ৰীতি আদি বিভিন্ন দিশেৰে সাহিত্যিক বা লেখকসকলৰ মাজত পাৰ্থক্য ফুটি উঠে। এই কাকতখনৰ জৰিয়তে অসমীয়া সাহিত্যৰ যিকোনো এগৰাকী নিৰ্বাচিত লেখকৰ জীৱন আৰু সাহিত্যকৃতিৰ বিষয়ে এক সামগ্ৰিক জ্ঞান প্ৰদান কৰাৰ প্ৰয়াস কৰা হ'ব। কাকতত উল্লেখ কৰা পাঁচগৰাকী লেখকৰ যিকোনো এগৰাকী লেখক ছাত্ৰ-ছাত্ৰীসকলে নিৰ্বাচন কৰি ল'ব পাৰিব।

উদ্দেশ্য :

- নিৰ্বাচিত লেখকগৰাকীৰ ব্যক্তিগত জীৱন-পৰিক্ৰমাৰ বিষয়ে ছাত্ৰ-ছাত্ৰী সকলক অৱগত কৰোৱা।
- নিৰ্দিষ্ট লেখকগৰাকীৰ বিভিন্ন সাহিত্য-কৃতিৰ সৈতে ছাত্ৰ-ছাত্ৰী সকলক পৰিচিত কৰোৱা।
- নিৰ্দিষ্ট লেখকগৰাকীৰ সাহিত্য-কৃতিৰ মূল্যায়ণ কৰি সেই সাহিত্যৰ স্বকীয়তা উপলব্ধি কৰোৱা।
- ছাত্ৰ-ছাত্ৰীসকলক নিৰ্দিষ্ট লেখকগৰাকীৰ সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য আৰু লেখনশৈলীৰ সম্পৰ্কে পৰিচয় কৰোৱা।

CO1 নিৰ্বাচিত লেখক গৰাকীৰ ব্যক্তিগত জীৱন-পৰিচিতিৰ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলে এক জ্ঞান লাভ কৰিব।

- ILO1 নিৰ্দিষ্ট লেখক গৰাকীৰ জন্ম, শিক্ষা, কৰ্মজীৱন, সাংসাৰিক জীৱন, সন্মান আৰু স্বীকৃতিৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে জানিব পাৰিব।

CO2 নিৰ্দিষ্ট লেখক গৰাকীৰ সাহিত্য-কৃতিৰ পৰিচয় সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলে জানিব পাৰিব।

- ILO1 নিৰ্দিষ্ট লেখক গৰাকীয়ে ৰচনা কৰা বিভিন্ন বিধাৰ সাহিত্য-কৃতিৰ বিষয়ে ছাত্ৰ-ছাত্ৰীসকলে জানিব পাৰিব।

CO3 নিৰ্বাচিত লেখক গৰাকীয়ে ৰচনা কৰা সাহিত্যৰাজিৰ এক মূল্যায়ন কৰা হ'ব।

- ILO1 নিৰ্বাচিত লেখক গৰাকীয়ে ৰচনা কৰা সাহিত্যৰ বিষয়বস্তু সম্পৰ্কে জানিব পৰা হ'ব।
- ILO2 লেখক গৰাকীয়ে ৰচনা কৰা সাহিত্যৰাজিৰ পটভূমি সম্পৰ্কে জ্ঞান লাভ কৰিব।
- ILO3 নিৰ্বাচিত লেখক গৰাকীয়ে ৰচনা কৰা সাহিত্যৰাজিৰ মাজত অন্তৰ্নিহিত উদ্দেশ্য সম্পৰ্কে জানিব পৰা যাব।

CO4 নিৰ্বাচিত লেখকৰ সাহিত্যৰ বৈশিষ্ট্য আৰু লেখনশৈলীৰ সম্পৰ্কে জানিব পৰা যাব।

- ILO1 নিৰ্বাচিত লেখকজনে ৰচনা কৰা সাহিত্যসমূহৰ বৈশিষ্ট্য সম্পৰ্কে এক জ্ঞান লাভ কৰা হ'ব।
- ILO2 লেখকজনে ৰচনা কৰা সাহিত্যৰাজিৰ লেখনশৈলীৰ বিষয়ে জানিব পৰা যাব।

**অধ্যয়নৰ বাবে নিৰ্বাচিত সাহিত্যিকসকল --**

১. জ্যোতিপ্ৰসাদ আগৰৱালা

২. ড° বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য

৩. ড° ভবেন্দ্ৰ নাথ শইকীয়া

৪. হোমেন বৰগোহাঞি

৫. ড° নগেন শইকীয়া

| গোট | বিষয় | পাঠদান | অনুশিক্ষণ | মুঠ | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| ১ | লেখকৰ ব্যক্তিগত জীৱন পৰিচিতি (জন্ম, শিক্ষা, সাংসাৰিক জীৱন, কৰ্মজীৱন, সন্মান আৰু স্বীকৃতি) | ১০ | ০৩ | ১৩ | ১২ |
| ২ | সাহিত্যকৃতিৰ সাধাৰণ পৰিচয় | ১১ | ০৩ | ১৪ | ১৪ |
| ৩ | সাহিত্যকৃতিৰ মূল্যায়ণ | ১৪ | ০৩ | ১৭ | ১৮ |
| ৪ | লেখকৰ সাহিত্যৰ সাধাৰণ বৈশিষ্ট্য আৰু লেখনশৈলী | ১৩ | ০৩ | ১৬ | ১৬ |
| সৰ্বমুঠ | | ৪৮ | ১২ | ৬০ | ৬০ |

| Cognitiv Knowledge Dimensions | Cognitive Process Dimensions | | | | | |
|---|---|---|---|---|---|---|
| | Remember | Understand | Apply | Analyze | Evaluate | Create |
| Factual Knowledge | CO1, CO2 | | | CO2, CO3 | | |
| Conceptual Knowledge | | CO3, CO4 | CO3 | CO3, CO4 | CO3, CO4 | |
| Procedural Knowledge | | | | CO4 | CO4 | |
| Meta-Cognitive Knowledge | | CO3, CO4 | | CO3, CO4 | CO3, CO4 | CO4 |

➢ আভ্যন্তৰীণ মূল্যায়নৰ মুঠ নম্বৰ - ৪০

| ক্ৰম | শিতান | নম্বৰ |
|---|---|---|
| ১ | আভ্যন্তৰীণ পৰীক্ষা-১ | ১০ |
| ২ | আভ্যন্তৰীণ পৰীক্ষা-২ | ১০ |
| ৩ | আলোচনা পত্ৰ প্ৰস্তুত/দলীয় আলোচনা | ১০ |
| ৪ | গৃহকৰ্ম | ০৫ |
| ৫ | শ্ৰেণীত উপস্থিতি | ০৫ |
| সৰ্বমুঠ নম্বৰ | | ৪০ |

প্ৰসংগ পুথি –


- জোতিপ্ৰসাদ ৰচনাৱলী, অসম প্ৰকাশন পৰিষদ, ২০১৭ (সংশোধিত সংস্কৰণ)
- ভবেন্দ্ৰ নাথ শইকীয়াৰ নাট্য সম্ভাৰ, জ্যোতি প্ৰকাশন, দ্বিতীয় সংস্কৰণ, ২০১৪
- ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ শিশু সাহিত্য সমগ্ৰ, বনলতা
- ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ গল্প সমগ্ৰ, বনলতা, ২০১৫
- ড° ভবেন্দ্ৰ নাথ শইকীয়াৰ উপন্যাস সমগ্ৰ, বনলতা
- বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্যৰ ৰচনাৱলী (আটাইকেইটা খণ্ড), কথা পাব্লিকেশ্যন
- সাহিত্য-শিল্পৰ ৰূপকাৰঃ ড° ভবেন্দ্ৰ নাথ শইকীয়া, ড° নমিতা চুতীয়া শইকীয়া, ড° মৃদুস্মিতা বৰা (সম্পা.), উত্তৰ-পূৰ গৱেষণা পৰামৰ্শ আৰু প্ৰকাশন প্ৰতিষ্ঠান
- *হোমেন বৰগোহাঞিৰ ৰচনাৱাজি*
- *নগেন শইকীয়াৰ ৰচনাৱাজি*

স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক

পাঠ্যক্ৰম নম্বৰ-DSE104A

কাকতৰ নাম- ভাষাবৈজ্ঞানিক অধ্যয়ন

NATURE OF COURSE-DSE

মুঠ-ক্ৰেডিট-৪

নম্বৰ বিভাজন-৬০(লিখিত পৰীক্ষা)+৪০(আভ্যন্তৰীণ মূল্যায়ন)

প্ৰস্তাৱনা :

ভাষাবিজ্ঞানত ভাষা একোটাৰ পুংখানুপুংখ তথা শৃংখলাৱদ্ধ অধ্যয়নৰ জৰিয়তে বিজ্ঞানসন্মত বিশ্লেষণ আগবঢ়োৱা হয় ।ইয়াৰ জৰিয়তে ভাষা সৃষ্টিৰ ক্ষেত্ৰত ইয়াৰ উপকৰণসমূহৰ ভূমিকা সূক্ষ্মভাৱে পৰ্যালোচনা কৰা হয়। লগতে ইয়াত ভাষাবিজ্ঞানৰ ভিন্ন প্ৰকাৰসমূহৰ পৰিচয় দাঙি ধৰা হয়। ভাষাক এটা বিষয় হিচাপে স্বীকৃতি দিয়াৰ যিদৰে ইতিহাস আছে, তেনেদৰে বিজ্ঞানসন্মত দৃষ্টিভংগীৰে ইয়াৰ অধ্যয়নৰো ইতিহাস আছে। ভাষাবিজ্ঞানীসকলে পৃথিৱীৰ ভাষাসমূহক ভিন্ন দিশৰপৰা বিশ্লেষণ কৰি কিছুমান পৰিয়ালভূক্ত কৰি থৈছে। ভাষাবৈজ্ঞানিক অধ্যয়নৰ এই ভিন্ন দিশসমূহৰ লগতে ভাষা চৰ্চাৰ ইতিহাস সম্পৰ্কে সম্যক ধাৰণা দিয়াৰ প্ৰয়াসেৰে এই পাঠ্যক্ৰম যুগুত কৰা হৈছে।

উদ্দেশ্য :

- ভাষাবিজ্ঞানৰ সংজ্ঞা তথা ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ সম্পৰ্ক বিচাৰ।
- ভাষাবিজ্ঞানৰ প্ৰকাৰসমূহৰ বিষয়ে অৱগতকৰণ।
- ভাষা সম্পৰ্কীয় চিন্তা-চৰ্চাৰ ইতিহাস সম্পৰ্কে অৱগতকৰণ।
- ভাষাৰ বৰ্গীকৰণ আৰু পৃথিৱীৰ বিভিন্ন ভাষা পৰিয়াল সম্পৰ্কে অৱগতকৰণ।

CO-I ভাষাবিজ্ঞানৰ সংজ্ঞা সম্পৰ্কে জ্ঞাত হ'ব। তদুপৰি ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ সম্পৰ্ক বিচাৰ কৰিব পাৰিব।

- ILO1 ভাষাবিজ্ঞান সম্পৰ্কে এটা সামগ্ৰিক ধাৰণা লাভ কৰিব।
- ILO2 ভাষাতত্ত্ব আৰু ভাষাবিজ্ঞানৰ সম্পৰ্ক বিচাৰ কৰি এক সম্যক ধাৰণা লাভ কৰিব পাৰিব।

CO-II ভাষাবিজ্ঞানৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে জানিব পাৰিব।

- ILO1 ভাষাবিজ্ঞানৰ প্ৰকাৰসমূহৰ বিষয়ে সামগ্ৰিক ধাৰণা লাভ কৰিব পাৰিব।

CO-IIIভাষা চৰ্চাৰ ইতিহাস সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিব পাৰিব।

- ILO1 প্ৰাচ্য ভাষাচৰ্চাৰ ইতিহাস সম্পৰ্কে জানিব পাৰিব।
- ILO2 পাশ্চাত্য ভাষাচৰ্চাৰ ইতিহাস সম্পৰ্কে জ্ঞাত হ'ব।

CO-IV ভাষাৰ বৰ্গীকৰণ আৰু পৃথিৱীৰ ভাষা পৰিয়াল সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিব।

- ILO1 ভাষাৰ বৰ্গীকৰণৰ প্ৰকাৰসমূহৰ বিষয়ে বিশদভাৱে জানিব পাৰিব।
- ILO2 পৃথিৱীৰ বিভিন্ন ভাষা পৰিয়ালৰ সম্পৰ্কে জ্ঞাত হ'ব।

| গোট | বিষয় | পাঠদান | অনুশিক্ষণ | মুঠ | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| ১ | ভাষাবিজ্ঞানৰ সংজ্ঞা,<br>ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ সম্পৰ্ক | ১০ | ৩ | ১৩ | ১২ |
| ২ | ভাষাবিজ্ঞানৰ প্ৰকাৰ<br>বৰ্ণনাত্মক, ঐতিহাসিক, তুলনামূলক, ভেদাত্মক, মনো-ভাষাবিজ্ঞান, সমাজ ভাষাবিজ্ঞান, ভূ ভাষাবিজ্ঞান, প্ৰয়োগ ভাষাবিজ্ঞান | ১৪ | ৩ | ১৭ | ১৮ |
| ৩ | ভাষা চৰ্চাৰ ইতিহাস – ভাৰত আৰু পাশ্চাত্য | ১২ | ৩ | ১৫ | ১৫ |
| ৪ | ভাষাৰ বৰ্গীকৰণ<br>পৃথিৱীৰ ভাষা পৰিয়াল | ১২ | ৩ | ১৫ | ১৫ |
| সৰ্বমুঠ | | ৪৮ | ১২ | ৬০ | ৬০ |

| Cognitiv Knowledge Dimensions | Cognitive Process Dimensions | | | | | |
|---|---|---|---|---|---|---|
| | Remember | Understand | Apply | Analyze | Evaluate | Create |
| Factual Knowledge | CO1, CO3, CO2, CO4 | CO1, CO4 | CO4 | CO1, CO2 | | |
| Conceptual Knowledge | CO3 | CO1, CO2, CO3, CO4 | CO1, CO2 | CO2, CO3, CO4 | | |
| Procedural Knowledge | | | CO4 | CO3 | CO4 | |
| Meta-Cognitive Knowledge | | CO4 | | | | CO4 |

➢ আভ্যন্তৰীণ মূল্যায়নৰ মুঠ নম্বৰ - ৪০

| ক্রম | শিতান | নম্বৰ |
|---|---|---|
| ১ | আভ্যন্তৰীণ পৰীক্ষা-১ | ১০ |
| ২ | আভ্যন্তৰীণ পৰীক্ষা-২ | ১০ |
| ৩ | আলোচনা পত্র প্রস্তুত/দলীয় আলোচনা | ১০ |
| ৪ | গৃহকর্ম | ০৫ |
| ৫ | শ্রেণীত উপস্থিতি | ০৫ |
| সৰ্বমুঠ নম্বৰ | | ৪০ |

প্ৰসংগ পুথি-


- অসমীয়া ভাষাৰ ইতিহাস: ড• ৰমেশ পাঠক, অশোক বুকষ্টল, গুৱাহাটী
- অসমীয়া ভাষাৰ গঠন আৰু বিকাশ: বিশ্বেশ্বৰ হাজৰিকা (অনুবাদ), বৰপেটা সাহিত্য সভা, বীণা লাইব্ৰেৰী, গুৱাহাটী
- Assamese, It's Formation and Development: Banikanta Kakati, LBS, Guwahati, 1995
- ধ্বনিবিজ্ঞানৰ ভূমিকা-গোলোকচন্দ্ৰ গোস্বামী, বীণা লাইব্ৰেৰী,গুৱাহাটী
- আধুনিক ভাষাবিজ্ঞানৰ পৰিচয়-ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱা, বাণী প্ৰকাশ,গুৱাহাটী
- অসমীয়া ব্যাকৰণ আৰু ভাষাতত্ত্ব-কালিৰাম মেধি
- অসমীয়া বৰ্ণ প্ৰকাশ: ড° গোলোক চন্দ্ৰ গোস্বামী, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী
- অসমীয়া ভাষাৰ ব্যাকৰণ-ড° উপেন্দ্ৰনাথ গোস্বামী
- ভাষাতত্ত্ব-ড° অৰ্পনা কোঁৱৰ
- অসমীয়া ভাষা চিন্তন-ড° অৰ্পনা কোঁৱৰ,বনলতা,নতুন বজাৰ,ডিব্ৰুগড়-১
- ভাষাবিজ্ঞান উপক্ৰমণিকা-ড° অৰ্পণা কোঁৱৰ, বনলতা,ডিব্ৰুগড়-১
- অসমীয়া ভাষাৰ ৰূপতত্ত্ব-লীলাৱতী শইকীয়া বৰা, বনলতা, পাণবজাৰ,গুৱাহাটী-১
- ভাষা-সাহিত্যৰ বিবিধ চিন্তা:ড° অৰ্পণা কোঁৱৰ,বনলতা,ডিব্ৰুগড়-১
- ভাষাবিজ্ঞান-ড° উপেন্দ্ৰনাথ গোস্বামী,মণি-মাণিক প্ৰকাশ,পাণবজাৰ,গুৱাহাটী-৭৮১০০১
- ভাষাবিজ্ঞানৰ ভূমিকা-ড° ৰমেশ পাঠক,অশোক বুক ষ্টল,পাণবজাৰ,গুৱাহাটী-১

স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক

কাকতৰ নাম – সংস্কৃত সাহিত্যৰ পৰিচয়

পাঠ্যক্ৰম নং - DSE104B

NATURE OF COURSE: DSE

মুঠ ক্ৰেডিট - ৪

নম্বৰ বিভাজন – ৬০ (লিখিত পৰীক্ষা)+৪০ (আভ্যন্তৰীণ মূল্যায়ন)

প্ৰস্তাৱনা :

সংস্কৃত সাহিত্য হৈছে ভাৰতৰ প্ৰাচীন ঐতিহ্যশালী সাহিত্য। এই সাহিত্যই ধৰ্মীয় শাস্ত্ৰ, বিভিন্ন কাব্য, মহাকাব্য, খণ্ডকাব্য, নাটক, প্ৰকৰণ/উপকথা আৰু আখ্যানমূলক গদ্যসমূহক সামৰি লৈছে। সংস্কৃত সাহিত্যৰ বিভিন্ন ৰচনা সমূহক দুটা ভাগত বিভক্ত কৰা হৈছে – দৃশ্য কাব্য আৰু শ্ৰব্য কাব্য। নাটক হৈছে দৃশ্য কাব্যৰ অন্তৰ্গত। শ্ৰব্য কাব্যক তিনিটা ভাগত ভাগ কৰা হৈছে। সেইকেইটা হ'ল – পদ্য, গদ্য আৰু মিশ্ৰ। ইয়াৰে পদ্য কাব্যক দুটা ভাগত ভাগ কৰা হৈছে। সেয়া হ'ল মহাকাব্য আৰু খণ্ডকাব্য। সংস্কৃত সাহিত্যত ৰামায়ণ আৰু মহাভাৰতৰ বাদেও পাঁচখন মহাকাব্য আছে যাক আমি 'পঞ্চ মহাকাব্য' বুলি কোৱা হয়। সেই কেইখন হ'ল – কালিদাসকৃত 'ৰঘুবংশম' আৰু 'কুমাৰসম্ভৱম', মাঘ ৰচিত 'শিশুপালবধ', শ্ৰীহৰ্ষৰচিত 'নৈষধচৰিতম' আৰু ভাৰৱিকৃত 'কিৰাতাৰ্জুনীয়ম'। তদুপৰি সংস্কৃত সাহিত্যই প্ৰাচীন ভাৰতীয় ঐতিহ্য আৰু জ্ঞান পৰম্পৰাৰ বিষয়ে এক সম্যক ধাৰণা দিয়ে। সংস্কৃত সাহিত্যৰ সামগ্ৰিক বিচাৰত সংস্কৃত সাহিত্যৰ পৰিচয় স্পষ্ট কৰি অধ্যয়নৰ ধাৰণা দিবলৈ এই পাঠ্যক্ৰমত যত্ন কৰা হৈছে। সংস্কৃত সাহিত্যৰ সৈতে ছাত্ৰ-ছাত্ৰীসকলক পৰিচিত কৰাই দিয়াৰ উপৰি প্ৰাচীন ভাৰতীয় জ্ঞান-পৰম্পৰা (Indian Knowledge System, IKS)ৰ প্ৰতিও শিক্ষাৰ্থীসকলক শ্ৰদ্ধাশীল কৰি তোলাৰ উদ্দেশ্যে এই কাকতখন প্ৰস্তুত কৰা হৈছে। ই ছাত্ৰ-ছাত্ৰীসকলক সংস্কৃত সাহিত্যৰ ইতিহাসৰ লগতে কাব্য, নাট, প্ৰকৰণ আদিৰ পাঠ আয়ত্ত কৰিবলৈ সহায় কৰিব।

উদ্দেশ্য :

- সংস্কৃত সাহিত্যৰ সাধাৰণ পৰিচয় দিয়াৰ লগতে মহাকাব্য, খণ্ডকাব্য, নাটক, প্ৰকৰণ, উপকথাৰ সাধাৰণ পৰিচয় দিয়া ।
- কালিদাসৰ 'ৰঘুবংশম' আৰু 'মেঘদূতম' কাব্যৰ ধাৰণা আগবঢ়োৱা ।
- কালিদাসৰ 'অভিজ্ঞান্ শকুন্তলম্' আৰু ভাসৰ 'স্বপ্ন বাসৱদত্তা' এই দুই নাটকৰ ধাৰণা আগবঢ়োৱা।
- শূদ্ৰকৰ 'মৃচ্ছকটিকম' আৰু বিষ্ণু শৰ্মাৰ 'পঞ্চতন্ত্ৰম্ কথামুখম্' এই উপকথা/ প্ৰকৰণ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীক অৱগত কৰা।

CO-I সংস্কৃত সাহিত্য সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিব।

- ILO1: সংস্কৃত সাহিত্যৰ সাধাৰণ পৰিচয় লাভ কৰিব।
- ILO2: সংস্কৃত সাহিত্যৰ অন্তৰ্গত মহাকাব্য, খণ্ডকাব্য, নাটক, প্ৰকৰণ উপমা আদিৰ জ্ঞান লাভ কৰিব।

CO-II সংস্কৃত সাহিত্যৰ অন্তৰ্গত কাব্যৰ বিষয়ে অৱগত হ'ব।

- ILO1 কালিদাসৰ 'ৰঘুবংশম' কাব্যৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব।
- ILO2 কালিদাসৰ 'মেঘদূতম' কাব্যৰ পৰিচিতি লাভ কৰিব ।

CO-III সংস্কৃত সাহিত্যৰ অন্তৰ্গত নাটক সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিব।

- ILO1 কালিদাসৰ 'অভিজ্ঞান্ শকুন্তলম্' নাটকৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব ।
- ILO2 ভাসৰ 'স্বপ্ন বাসৱদত্তা' নাটকৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিব।

CO-IV সংস্কৃত সাহিত্যৰ অন্তৰ্গত উপকথা/ প্ৰকৰণ সম্পৰ্কে অৱগত হ'ব।

- ILO1 শূদ্ৰকৰ 'মৃচ্ছকটিকম' উপকথা/ প্ৰকৰণ সম্পৰ্কে সম্যক জ্ঞান লাভ কৰিব ।
- ILO2 বিষ্ণু শৰ্মাৰ 'পঞ্চতন্ত্ৰম্ কথামুখম্'ৰ বিষয়বস্তু নীতি কথা সম্পৰ্কে অৱগত হ'ব ।

| গোট | বিষয় | পাঠদান | অনুশিক্ষণ | মুঠ | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| ১ | সংস্কৃত সাহিত্যৰ সাধাৰণ পৰিচয়<br>➢ মহাকাব্য আৰু খণ্ডকাব্য<br>➢ নাটক<br>➢ প্ৰকৰণ<br>➢ উপকথা | ১২ | ০৩ | ১৫ | ১৫ |
| ২ | কাব্য – (যিকোনো এখন)<br>➢ কালিদাসৰ 'ৰঘুবংশম্' | ১২ | ০৩ | ১৫ | ১৫ |

| | | | | | |
|---|---|---|---|---|---|
| | ➢ কালিদাসৰ 'মেঘদূতম্' | | | | |
| ৩ | নাটক – (যিকোনো এখন)<br>➢ কালিদাসৰ 'অভিজ্ঞান্ শকুন্তলম্'<br>➢ ভাসৰ 'স্বপ্ন বাসৱদত্তা' | ১২ | ০৩ | ১৫ | ১৫ |
| ৪ | প্ৰকৰণ/উপকথা (যিকোনো এখন)–<br>➢ শূদ্ৰকৰ 'মৃচ্ছকটিকম'<br>➢ বিষ্ণু শৰ্মাৰ 'পঞ্চতন্ত্ৰম্ কথামুখম্' | ১২ | ০৩ | ১৫ | ১৫ |
| সৰ্বমুঠ | | ৪৮ | ১২ | ৬০ | ৬০ |

| Cognitiv Knowledge Dimensions | Cognitive Process Dimensions | | | | | |
|---|---|---|---|---|---|---|
| | Remember | Understand | Apply | Analyze | Evaluate | Create |
| Factual Knowledge | CO1 | CO1 | CO1 | | | |
| Conceptual Knowledge | CO1 | CO2, CO3, CO4 | CO2, CO3, CO4 | CO2, CO3, CO4 | CO2, CO3, CO4 | |
| Procedural Knowledge | | | CO2, CO3, CO4 | CO2, CO3, CO4 | CO2, CO3, CO4 | |
| Meta-Cognitive Knowledge | | CO2, CO3, CO4 | | CO2, CO3, CO4 | | CO1, CO2, CO3, CO4 |

➢ আভ্যন্তৰীণ মূল্যায়নৰ মুঠ নম্বৰ - ৪০

| ক্ৰম | শিতান | নম্বৰ |
|---|---|---|
| ১ | আভ্যন্তৰীণ পৰীক্ষা-১ | ১০ |
| ২ | আভ্যন্তৰীণ পৰীক্ষা-২ | ১০ |
| ৩ | আলোচনা পত্ৰ প্ৰস্তুত/দলীয় আলোচনা | ১০ |
| ৪ | গৃহকৰ্ম | ০৫ |
| ৫ | শ্ৰেণীত উপস্থিতি | ০৫ |
| সৰ্বমুঠ নম্বৰ | | ৪০ |

প্ৰসংগ পুথি –


- অভিজ্ঞান শকুন্তলম্ (অসমীয়া অনুবাদ), নীৰাজনা মহন্ত বেজবৰা, বনলতা, ডিব্ৰুগড়
- উত্তৰ ৰামচৰিত আৰু মেঘদূত কাব্য, কেশদা মহন্ত, বনলতা, ডিব্ৰুগড়
- সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, থানেশ্বৰ শৰ্মা, চন্দ্ৰ প্ৰকাশ, গুৱাহাটী
- সংস্কৃত সাহিত্যৰ জিলিঙনি, কামাখ্যাচৰণ ভাগৱতী, গ্ৰন্থপীঠ, পাণবজাৰ
- কালিদাসৰ সাহিত্য, কেশদা মহন্ত, বনলতা, ডিব্ৰুগড়
- সংস্কৃত নাট্য সাহিত্য, কামাখ্যাচৰণ ভাগৱতী, নিউ বুক ষ্টল, গুৱাহাটী
- মৃচ্ছকটিকমীমাংসা, মালিনী গোস্বামী, লক্ষ্মী প্ৰকাশ, গুৱাহাটী
- উপমা কালিদাসস্য, মুকুন্দ মাধৱ শৰ্মা, গুৱাহাটী বুক ষ্টল, গুৱাহাটী
- ৰঘুবংশ-মহাকবি কালিদাস, কেশদা মহন্ত (অনু.), অসম প্ৰকাশন পৰিষদ
- বিষ্ণু শৰ্মাৰ পঞ্চতন্ত্ৰ, প্ৰভাত চন্দ্ৰ শৰ্মা (অনু.), অসম প্ৰকাশন পৰিষদ
- সংস্কৃত সাহিত্যৰ বুৰঞ্জী, হৰমোহন দেৱ গোস্বামী, বুক লেণ্ড
- স্বপ্নবাসৱদত্তা, মুকুন্দ  মাধৱ শৰ্মা (অনু.), অসম সাহিত্য সভা
- ৰঘুৰপি কাব্যম্, মালিনী গোস্বামী, চন্দ্ৰ প্ৰকাশ

স্নাতকোত্তৰ প্ৰথম ষাণ্মাসিক

পাঠ্যক্ৰম নং - AEC101

কাকতৰ নাম – অসমীয়া বিষয়ৰ আধাৰত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰস্তুতি

NATURE OF COURSE: AEC

মুঠ ক্ৰেডিট - ২

নম্বৰ বিভাজন – ৩০ (ব্যৱহাৰিক পৰীক্ষা)+২০ (আভ্যন্তৰীণ মূল্যায়ন)

প্ৰস্তাৱনা :

শিক্ষাৰ এটা গুৰুত্বপূৰ্ণ উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰীসকলক প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত অৱতীৰ্ণ হ'বৰ বাবে প্ৰস্তুত কৰি তোলা। অসমীয়া সাহিত্য অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলে এই অধ্যয়নৰ আধাৰত বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষাত অৱত্তীৰ্ণ হ'ব পাৰে। অসমীয়া ভাষা-সাহিত্য-সংস্কৃতি বিষয়ক এনে প্ৰতিযোগিতামূলক পৰীক্ষাৰ ভিতৰত National Eligibility Test (নে'ট্), State Level Eligibility Test (শ্লেট্) আদি অন্যতম। বৰ্তমানে কম্পিউটাৰত সম্পাদিত বহুবিকল্পধৰ্মী এই পৰীক্ষাবোৰত অসমীয়া ভাষা, সাহিত্য, সংস্কৃতিৰ আওঁতাত পৰা বিভিন্নধৰণৰ প্ৰশ্ন অহা পৰিলক্ষিত হয়। সেই প্ৰশ্ন তথা তথ্যসমূহৰ লগত ছাত্ৰ-ছাত্ৰীক চিনাকি কৰাই দিয়াই আমাৰ পাঠ্যক্ৰমৰ উদ্দেশ্য। লগতে এই কাকত অধ্যয়নৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে উক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ বাবে নিজকে সাজু কৰি তোলাৰ সুযোগ পাব। উল্লেখযোগ্য কথা যে এই কাকতত অন্তৰ্ভুক্ত ভিন্ন গোটৰ বিষয়সমূহৰ যাদৃচ্ছিক বস্তুনিষ্ঠ জ্ঞানহে প্ৰদান কৰা হ'ব।

উদ্দেশ্য :

- অসমীয়া ভাষাৰ ইতিহাসৰ পৰিচয়জ্ঞাপক ধাৰণাৰ লগতে অসমীয়া ভাষাৰ উৎপত্তি আৰু বিকাশ, উপভাষা, বিভিন্ন শব্দভাণ্ডাৰ, আৰ্যভিন্ন উপাদান আদিৰ উপৰিও অসমৰ ভিন্ন ভাষা যেনে- বড়ো, মিচিং, ৰাভা, ফাকে, খামতি আদি ভাষাসমূহৰ তথ্য আৰু ধাৰণাৰ সম্পৰ্কে পৰিচিতি দিয়া।
- অসমীয়া সংস্কৃতিৰ অন্তৰ্গত গীত-মাত, লোকনৃত্য, উৎসৱ, আ-অলংকাৰ, ৰীতি-নীতি, লোকবাদ্য আদিৰ পৰিচয়জ্ঞাপক ধাৰণা আগবঢ়োৱা।
- অসমীয়া লোকসাহিত্য, তুলনামূলক সাহিত্য আৰু অনুবাদৰ লগতে কেইবাটাও যুগৰ অসমীয়া সাহিত্যৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক সাধাৰণভাৱে অৱগত কৰা।
- সাহিত্যতত্ত্বৰ অন্তৰ্গত ৰস, ধ্বনি, ছন্দ, ৰীতি, গুণ, ঔচিত্য, সাহিত্যৰ বিভিন্ন বাদৰ পৰিচয়জ্ঞাপক ধাৰণা আগবঢ়োৱা।

CO1 অসমীয়া ভাষাৰ ইতিহাস সম্পৰ্কে ধাৰণা লাভ কৰিব পৰা যাব।

- ILO1 অসমীয়া ভাষাৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে জ্ঞাত হ'ব পৰা যাব।
- ILO2 অসমীয়া ভাষাৰ বিভিন্ন উপভাষা, আৰ্যভিন্ন উপাদান আদিৰ সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিব পৰা যাব।
- ILO3 অসমীয়া ভাষাৰ ব্যাকৰণ, অভিধান, অসমত প্ৰচলিত লিপি সম্পৰ্কে জ্ঞাত হ'ব পৰা যাব।
- ILO4 অসমত প্ৰচলিত বড়ো, মিচিং, ৰাভা, ফাকে, খামতি ভাষাৰ সম্পৰ্কে অৱগত হ'ব পৰা যাব।

CO2 অসমৰ বৈচিত্ৰ্যময় সংস্কৃতি সম্পৰ্কে ধাৰণা লাভ কৰিব পাৰিব।

- ILO1 অসমত প্ৰচলিত বা অসমত বসবাস কৰা জাতি- জনজাতিসমূহৰ লোক উৎসৱ-পাৰ্বন, ৰীতি-নীতি, গীত-মাত আৰু লোক বাদ্যসমূহৰ সম্পৰ্কে পৰিচয় হ'ব পৰা যাব।
- ILO2 অসমৰ লোকসকলে পৰিধান আ-অলংকাৰৰ সৈতে চিনাকি হ'ব পৰা যাব।

CO3 অসমীয়া সাহিত্যৰ সম্পৰ্কে ধাৰণা লাভ কৰিব পাৰিব।

- ILO1 অসমীয়া সাহিত্যই গতি লাভ কৰা পৃষ্ঠভূমি সম্পৰ্কে জ্ঞাত হ'ব পৰা যাব।

| গোট | বিষয় | পাঠদান | অনুশিক্ষণ | মুঠ | নম্বৰ বিতৰণ |
|---|---|---|---|---|---|
| ১ | অসমীয়া ভাষাৰ ইতিহাস<br>➢ উৎপত্তি আৰু বিকাশ, উপভাষা, শব্দভাণ্ডাৰ, আৰ্যভিন্ন উপাদান, লিপি, ব্যকৰণ আৰু অভিধান, অসমৰ বড়ো, মিচিং, ৰাভা, ফাকে, খামতি আদি ভাষাসমূহ | ০৭ | ০২ | ০৯ | ৮ |
| ২ | অসমীয়া সংস্কৃতি<br>➢ গীত-মাত, লোকনৃত্য, লোক উৎসৱ, আ-অলংকাৰ, ৰীতি-নীতি, লোকবাদ্য | ০৬ | ০১ | ০৭ | ৭ |

| | | | | | |
|---|---|---|---|---|---|
| ৩ | অসমীয়া সাহিত্য<br>➤ লোকসাহিত্য, আদি যুগৰ অসমীয়া সাহিত্য, মধ্যযুগীয় অসমীয়া সাহিত্য, আধুনিক যুগৰ অসমীয়া সাহিত্য , তুলনামূলক সাহিত্য আৰু অনুবাদ | ০৬ | ০২ | ০৮ | ৮ |
| ৪ | সাহিত্যতত্ত্ব<br>➤ ৰস, ধ্বনি, ছন্দ, ৰীতি, গুণ, ঔচিত্য, সাহিত্যৰ বিভিন্ন বাদ | ০৫ | ০১ | ০৬ | ৭ |
| সৰ্বমুঠ | | ২৪ | ০৬ | ৩০ | ৩০ |

| Cognitiv Knowledge Dimensions | Cognitive Process Dimensions | | | | | |
|---|---|---|---|---|---|---|
| | Remember | Understand | Apply | Analyze | Evaluate | Create |
| Factual Knowledge | CO1, CO2, CO3, CO4 | CO1, CO2, CO3, CO4 | CO1, CO2, CO3, CO4 | CO1, CO2, CO3, CO4 | CO1, CO2, CO3, CO4 | |
